Content includes AI-generated material

লগাংক লৈ মিচিং বানে কেবাঙৰ সিদ্ধান্ত



বিতং বাতৰি ৮ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, FEBRUARY 16, 2025 ■ দেওবাৰ, ৩ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫১ Guwahati, Assam ।। মূল্যঃ এটকা

## তদন্তবোৰৰ অন্ত কেতিয়া?

■ ডঃ দয়ানন্দ শ্বাহ




ন-শৰ্কৰী

নাছিৰুদ্দিন শ্বাহ অভিনীত 'দ্য ৱেডনেছডে'। এই ছবিখন চালেই বুজিব পাৰি যে আমাৰ দেশৰ সুৰক্ষা ব্যৱস্থা শেষাংশ ৩ পৃষ্ঠাত

### তুমি ৰাজনীতিৰ পৰা আঁতৰত থাকা, কিন্তু আজি ৰাজনীতিয়ে তোমাকো...

## হিমন্তৰ বাবে পত্নী এলিজাবেথলৈ গৌৰৱৰ চিঠি




ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ পত্নীক 'প্ৰিয় এলিজাবেথ' বুলি সম্বোধন কৰি গৌৰৱ গগৈয়ে আৱেগিক ফেচবুক পোষ্ট দি পত্নীৰ বিপদৰ সময়ত যে পত্নীৰ সৈতে সদায়েই থাকিব তাকে হয়তো ক'ব খুজিছে। হোমৰ গুৰিত ইজনে-সিজনৰ হোৱাৰ শপত খোৱাৰ কথা শেষাংশ ৬ পৃষ্ঠাত

### গছত কঁঠাল, ওঁঠত তেল, টকিঅ'ত হ'ব অসমীয়া মেল

# অসমবাসীক আকৌ চৰকাৰৰ জাপানী সপোন!

## চন্দ্ৰমোহনৰ জাপানৰ সপোন আজিও সপোনেই হৈ ৰ'ল! নহ'ল চাকৰি



ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ ২০১৯ চনৰ নৱেম্বৰ মাহৰ কথা। চৰ্চা চলিছিল যে জাপানত অসমৰ যুৱক-যুৱতীয়ে চাকৰি পাব। চৰ্চাৰ কাৰণ আছিল তেতিয়াৰ শেষাংশ ৭ পৃষ্ঠাত

## জাপানক লাগে মেন পাৱাৰ, নাৰ্ছক নিব ছিংগাপুৰে

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ চন্দ্ৰমোহন পাটোৱাৰীৰ পিছত এইবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ ৰাইজক দেখুৱাইছে ৰঙীণ জাপানী সপোন! শেষাংশ ৫ পৃষ্ঠাত

## পদপিষ্ট হৈ দিল্লী ষ্টেচনত ১৮জনকৈ লোক নিহত



নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ নতুন দিল্লী ৰেলৱে ষ্টেচনত যাত্ৰীৰ হেঁচা-ঠেলাৰ ফলত তিনিটা শিশু আৰু ১৪ গৰাকী মহিলাসহ মুঠ ১৮ জনৰ ৬ পৃষ্ঠাত

## কংগ্ৰেছ নেতা মনোজ চৌহানৰ বিৰুদ্ধে গোচৰ মুখ্যমন্ত্ৰী হিমন্তৰ

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ গুৱাহাটীস্থিত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশৰ আদালতত কংগ্ৰেছ শেষাংশ ৩ পৃষ্ঠাত

## গৌৰৱ পত্নীৰ পাক সংযোগক লৈ এছআইটি

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ শৰ্মা বনাম গগৈৰ যুঁজ আকৰ্ষণীয় ৰূপ লৈছে। গৌৰৱ গগৈয়ে আইনৰ কাষ চাপিব বুলি ৫ পৃষ্ঠাত চাওক

## ঠিকাভিত্তিক শিক্ষকক নিযুক্তি পত্ৰ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি ৰাজ্যৰ মাধ্যমিক শেষাংশ ২ পৃষ্ঠাত

### কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক লপা-থপা ক্ষুব্ধ ৰাইজৰ

## প্ৰশ্নকাকত পলমকৈ দিয়াক লৈ গাছবাৰীত উত্তপ্ত পৰিস্থিতি



### মেট্ৰিকত অবাঞ্চিত কাৰ্য

ই-সংবাদ, গোৰেশ্বৰ, ১৫ ফেব্ৰুৱাৰীঃ গোৰেশ্বৰৰ সমীপৱৰ্তী তথা কামৰূপ গ্ৰাম্য জিলাৰ গাছবাৰী হাইস্কুল পৰীক্ষা কেন্দ্ৰত (কেন্দ্ৰ নং শেষাংশ ৩ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীক কটাক্ষ ভূপেন বৰাৰ

## বিপদত পৰিলেই ছয় নং দফালৈ মনত পৰে হিমন্ত বিশ্বৰ



ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ আছুৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৈঠকত বহিব বুলি খবৰ প্ৰকাশ পোৱাৰ ২ পৃষ্ঠাত চাওক


### উত্তৰাখণ্ডৰ বিশ্ববিদ্যালয়ত ভয়ানক কাণ্ড

## গান্ধী-নেহৰুৰ কিতাপৰ বাবে বাতিল হ'ল গ্ৰন্থমেলা!




নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ বিক্ৰী কৰিব নোৱাৰিব গান্ধী-নেহৰুৰ জীৱন আৰু আদৰ্শৰ ওপৰত লিখা কিতাপ! এনে শেষাংশ ৬ পৃষ্ঠাত

## মহাকুম্ভলৈ যাওঁতে দুৰ্ঘটনাত ১০জন নিহত



মিৰ্জাপুৰ, ১৫ ফেব্ৰুৱাৰীঃ মহাকুম্ভলৈ পবিত্ৰ স্নানলৈ যোৱাৰ পথতে ভয়ংকৰ ৭ পৃষ্ঠাত চাওক

## অবৈধ ভাৰতীয় লোকৰ আনটো দলক বিতাড়ন ট্ৰাম্পৰ

### ১১৯জনক লৈ নিশা অৱতৰণ

ৱাশ্বিংটন, ১৫ ফেব্ৰুৱাৰীঃ অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক বিতাড়নৰ সিদ্ধান্তত অটল আমেৰিকা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা ভ্ৰমণৰ পিছতে শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিপদত পৰিলেই ছয় নং দফালৈ মনত

পিছতে এপিচিচিৰ সভাপতি ভূপেন কুমাৰ বৰাই অসম চুক্তিৰ ছয় নং দফাক লৈ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ পৰামৰ্শ কাৰ্যকৰীকৰণৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাক লৈ কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে। ভূপেন কুমাৰ বৰাই কয় যে ১৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীয়ে আছুৰ সৈতে কি কথা পাতিব তাক লৈ আমি চিন্তিত নহয়। লখিমপুৰ কেবিনেটত ৫৭টা পৰামৰ্শ কেন্দ্ৰলৈ প্ৰেৰণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মন্তব্যক উভতি ধৰি বৰাই কয় যে সেই কেইটা কি হ'ল। ২০১৯ চনৰ জুলাই মাহত কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে আয়োগ গঠন কৰিছিল। ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত বিপ্লৱ শৰ্মাই প্ৰতিবেদন কেন্দ্ৰক প্ৰতিবেদন দিবলৈ নাপায় তেতিয়াৰ মুখ্যমন্ত্ৰীক প্ৰতিবেদন জমা দিছিল। প্ৰতিবেদন জমা দিয়া ৪ বছৰ হ'ল। শিৱসাগৰত যেতিয়া ৩০ সংগঠনে প্ৰতিবাদ কৰিলে, আলফাই যেতিয়া ২৫টা ঠাইত বোমা দিলে, পৰিয়ালৰ কেলেংকাৰী চাৰিও ফালে ফাটি-ছিটি গ'ল তেতিয়া বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন মনত পেলাই লৰা-ঢপৰা কৰি ৫৭টা পৰামৰ্শ দিল্লীলৈ পঠাইছো বুলি কেবিনেটত সিদ্ধান্ত ল'লে আৰু ৫৭টা পৰামৰ্শ কি হ'ল বুলি প্ৰশ্ন কৰে বৰাই। হিমন্ত বিশ্ব শৰ্মা নিজেই এদিন আলফাত আছিল বুলি দাবী কৰা বুলি বৰাই উল্লেখ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মা প্ৰথম আছুত আছিল, এসময়ত আলফাত আছিলো বুলি গৌৰৱ কৰিছিল। মুখ্যমন্ত্ৰী যেতিয়া প্ৰথমবাৰ দায়িত্ব লৈ পতাকা উত্তোলন কৰিছিল তেতিয়া আলফাই অসম বন্ধ দিয়া নাছিল, বোমা ফুটুৱা নাছিল। তেতিয়া সেই কথা মুখ্যমন্ত্ৰীয়ে নিজৰ বক্তব্যত ৰাখিছিল। কংগ্ৰেছ শান্তি আলোচনাত সদায়েই সমৰ্থন কৰিছে। প্ৰাক্তন আলফা মুখ্যমন্ত্ৰীৰ দিনত যি আলফা সমস্যাৰ সমাধান নহয় কেতিয়া হ'ব বুলি বৰাই প্ৰশ্ন কৰে। সদৌ অসম ছাত্ৰ সন্থাত আছিল। নিজেই কয় যে প্ৰফুল্ল মহন্তৰ প্ৰেছ ৰিলিছ পেপাৰ, টিভিত গৈ গৈ বিলাই ফুৰিছিলো। চাইকেল লৈ বিলাইছো। আছু কৰা মানুহজনে আছুৰ আত্মা স্বৰূপ ৫ নং দফা, ছয় দফাৰ ৫৭ টা পৰামৰ্শ দিল্লীলৈ পঠোৱাৰ পাছত কেন্দ্ৰই গৃহ মন্ত্ৰালয়ে এটা বিবৃতি কিয় নিদিয়ে। ইনাৰ লাইন পাৰ্মিটৰ কথা আছে সেয়া কাৰ্যকৰী নকৰে কিয়? যেতিয়াই মুখ্যমন্ত্ৰীয়ে বিপদত পৰে তেতিয়াই ছয় নং দফা আদিৰ কথা মনত পৰে। এডভান্টেজ আসামৰ নামত মুখ্যমন্ত্ৰীয়ে বিলাস ভ্ৰমণ কৰাৰ অভিযোগ আনি বৰাই আৰু কয় যে বিদেশৰ ধনাঢ্য মানুহখিনি আহিলে ভাল পাম। গামোচা পিন্ধোৱাৰ সুযোগ দিলে আমিও গামোচা পিন্ধাম। মই মুখ্যমন্ত্ৰী হ'লে কি কৰিম বুলি উল্লেখ কৰি কংগ্ৰেছ সভাপতি বৰাই কয় ৩৬ লাখ নিবনুৱা আছে। বিজেপিয়ে কৈছে যে 'লোকেল ফৰ ভোকেল'ৰ কথা কৈছিল। থলুৱাৰ উদ্যোগ কি কৰিলে। থলুৱা উদ্যোগত গুৰুত্ব দিলে ১০ লাখ মানুহক এটা বছৰৰ ভিতৰত সংস্থাপন দিব পাৰি। ৰেচম বিভাগ, হস্তৰ্তাত-বস্ত্ৰ উদ্যোগত চৰকাৰে গুৰুত্ব দিয়া নাই। আৰ্টফেড আছিল, ফিচ ফেড আছিল চৰকাৰে কিমান গুৰুত্ব দিছে। ৰেচম বিভাগত গাঁৱে গাঁৱে মাটি পৰি আছে। গাঁৱৰ মহিলাক ১২৫০ টকা দিয়াতকৈ এটা আত্মসহায়ক গোটক টকা দি উদ্যোগ আৰম্ভ কৰিলে সংস্থাপন পাব। বিহু নচুৱাই ইনভেষ্ট মেণ্ট চামিট পাতক। ২৪ লাখ নিবনুৱা থাকোতে কংগ্ৰেছক কি কৈছিল। তেওঁলোকে অসমক নিয়োগ সৃষ্টিকাৰী এক নং ৰাজ্য কৰিব। বিজেপিয়ে দায়িত্ব লোৱাৰ পাছত ১২ লাখ ৫০ হাজাৰ নিবনুৱা বাঢ়ি গ'ল। এই কথা বিলাক ঢাকিবলৈ কাৰোবাৰ ঘৈণীয়েকৰ পিছত লাগি থাকে। প্ৰথমে মোৰ ঘৈণীৰ বিৰুদ্ধে লাগিল। যেতিয়া দেখিলে ভূপেন বৰা বিচলিত নহয়। হতাশ নহয়। তেতিয়াই কংগ্ৰেছক সন্মুখৰ পৰা নেতৃত্ব দিয়াসকলক এজন এজনকৈ লক্ষ্য কৰি লৈছে। কোকৰাঝাৰত বাজেট অধিবেশনত প্ৰথমটো দিন অনুষ্ঠিত কৰিব খোজাত ভূপেন বৰাই প্ৰশ্ন উত্থাপন কৰি কয় যে মুখ্যমন্ত্ৰীয়ে কৈছে মই কোকৰাঝাৰলৈ অধিবেশন নি সমন্বয় গঢ়িব খুজিছে। কিন্তু কেন্দ্ৰীয় বাজেটত কৰি কৰিলে কোকৰাঝাৰক ৫০ কোটি টকা কমাই দিলে। এতিয়া উন্নয়ন লাগে নে ভাষণ লাগে। কাক মুখ্যমন্ত্ৰীয়ে মিছা কথা ক'ব আহিছে। তুলিৰাং ৰংহাং, দেৱলাল গাৰ্লোছাই কমিছন, কয়লাৰ ভাগ ভালকৈ দিয়ে। বিটিআৰৰ প্ৰমোদ বড়োৱে ভালকৈ পাট্টা নিদিয়ে সেই কাৰণে পইছা কমাই দিলে। মৌলিক সমস্যা সমাধানত মুখ্যমন্ত্ৰীৰ গুৰুত্ব নাই। চল-চাতুৰি, প্ৰলোভনেৰে গোটাই শাসন ব্যৱস্থাক কুলষিত কৰিবলৈ চেষ্টা চলাই আছে। ভূপেন বৰাই মুখ্যমন্ত্ৰীৰ হাতত সময় বেছি নাই বুলি কৈ ১০ মে'ত ৰাজীৱ ভৱনত কাউণ্ট-ডাউন ক্লক লগাম বুলি কয়। মুখ্যমন্ত্ৰীৰ হাতত ৩৬৫ দিন নাই। পাৰিলে ৩৬ লাখ নিবনুৱাৰক সংস্থাপন দিয়ক। ভূপেন বৰাই সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা মুখ্যমন্ত্ৰীক দেউৰী, ঠেঙাল, চুতীয়া, সোণোৱাল আদি জনগোষ্ঠীক সুযোগ দিবলৈ উচ্চ সদন গঠন কিয় কৰা নহয় বুলি প্ৰশ্ন কৰে। বাংলাদেশ সীমান্তৰ লাটিতোলা-ডোনাৰবাৰীৰ চাৰি কিলোমিটাৰ উন্মুক্ত হৈ আছে। কেতিয়া বেৰ দিয়া হ'ব বুলি প্ৰশ্ন কৰে। বৰাই সংবাদমাধ্যমক বিনম্ৰভাৱে অনুৰোধ জনাই কয় যে মূল মৌলিক সমস্যাসমূহ দাঙি ধৰক। মুখ্যমন্ত্ৰীয়ে বিচাৰিলেও সেই চকীখনৰ শক্তি, সামৰ্থ্য বুজি মানুহজনক ইচ্ছু ডাইভাৰ্ট কৰিবলৈ সুযোগ দিব নালাগে। গৌৰৱ গগৈৰ বিষয়ত উত্তৰ দি এটা চেনেলে হোৰাহোৰে প্ৰচাৰ কৰি থাকক তাত আমাৰ প্ৰশ্ন কৰিবলৈ একো নাই বুলি উত্তৰ দি ভূপেন বৰাই কয় যে গৌৰৱ গগৈয়ে ইতিমধ্যে উত্তৰ দিছে। আমি টিভি চেনেল খুলিব নোৱাৰো, পেপাৰ উলিয়াব নোৱাৰো আৰু আমি ইমান প্ৰচাৰৰ আশা নকৰো বুলি কয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি হ'ব বুলি চলি থকা চৰ্চা সন্দৰ্ভত সময়ত ভূপেন বৰাই কয় যে মই এনে এজন সভাপতি মই কোনো দিনে সভাপতি পদ বিচাৰি দিল্লীলৈ যোৱা নাছিলো। মই সেইদিনা এইখন চকীৰ পৰা উঠিম, যিদিনা মই জনতা ভৱনলৈ যাম। চৰকাৰক প্ৰশ্ন সোধাৰ অধিকাৰ বিৰোধীৰ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঠিকাভিত্তিক শিক্ষিকক নিযুক্তি পত্ৰ

বাছ আৰু বলেৰ'ৰ মাজত সংঘটিত ভয়ংকৰ মুখামুখি সংঘৰ্ষত সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে বলেৰ'খন। দুৰ্ঘটনাত ১০ জনৰ থিতাতে মৃত্যু ঘটাৰ বিপৰীতে গুৰুতৰভাৱে আহত হয় কমেও ১৯ জন। শুকুৰবাৰে নিশা মিৰ্জাপুৰ-প্ৰয়াগৰাজ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনা। আৰক্ষীৰ সূত্ৰ অনুসৰি এই দুৰ্ঘটনাত নিহত হোৱা আটাইকেইজনেই আছিল ছত্তীশগড়ৰ বাসিন্দা। ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান কৰিবলৈ কুম্ভলৈ আহি আছিল ভক্তৰ দলটো। আনহাতে সংঘৰ্ষত পতিত হোৱা বাছখনতো আছিল তীৰ্থযাত্ৰী। কুম্ভ স্নানৰ পিছত মধ্যপ্ৰদেশৰ ৰাজগড় অভিমুখে গৈ আছিল বাছখন। সংঘৰ্ষত কেইবাজনো বাছ যাত্ৰীও গুৰুতৰভাৱে আহত হয়। প্ৰত্যক্ষদৰ্শীয়ে দাবী কৰিছে যে সংঘৰ্ষৰ প্ৰভাৱৰ বাবে বলেৰ' গাড়ীখন সম্পূৰ্ণৰূপে ধ্বংস হৈ পৰে। স্থানীয় বাসিন্দাসকলে দ্ৰুতগতিত উদ্ধাৰ অভিযান আৰম্ভ কৰে। পিছত ঘটনাস্থলীত আৰক্ষী আৰু দুৰ্যোগ সঁহাৰি বাহিনী উপস্থিত হয়। দুৰ্ঘটনাটোৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও বাছ আৰু সৰু গাড়ীৰ গতিবেগে সংঘৰ্ষৰ পৰিসৰত অৰিহণা যোগাইছিল বুলি অনুমান কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ আহতসকলৰ তৎকালীন চিকিৎসাৰ নিৰ্দেশ দিয়ে

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰশ্নকাকত পলমকৈ দিয়াক লৈ

B25-0405) ভাৰপ্ৰাপ্ত কেন্দ্ৰ পৰিচালক তথা প্ৰধান শিক্ষক অশোক চৌধুৰীয়ে নিৰ্দিষ্ট সময়ত পৰীক্ষা কেন্দ্ৰত ইংৰাজীৰ প্ৰশ্নকাকত যোগান ধৰিব নোৱাৰাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নিজৰ মইমতালিৰে প্ৰায় ৯.৩০ বজাত প্ৰশ্নকাকত লৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হোৱাৰ লগে লগে উত্তেজিত প্ৰধান শিক্ষক অশোক চৌধুৰীক ৰাইজে লপা-থপা দিয়ে। অৱশ্যে পৰীক্ষাৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষীয়ে উত্তেজিত ৰাইজৰ মাজৰ পৰা প্ৰধান শিক্ষকজনক উদ্ধাৰ কৰে। সময়ত প্ৰশ্নকাকত নোপোৱাত পৰীক্ষাৰ্থীসকলৰ মাজত অভাৱনীয় পৰিস্থিতিৰো সৃষ্টি হয়। বাহিৰত পৰক্ষাৰ্থীসকলক সময় বঢ়াই দিয়াৰ বাবে পৰীক্ষাৰ্থীসকলৰ অভিভাৱক আৰু শুভাকাংক্ষীয়ে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। পিছত বাইহাটা চাৰিআলিৰ আৰক্ষীয়ে চি আৰ পি বাহিনী লগত লৈ আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। খবৰ পোৱাৰ পিছত অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ গোস্বামী, কমলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিক্ৰমজিৎ বৰা, শিক্ষা বিষয়া ফুলপাহি নাথ আৰু জিলা শিক্ষা বিষয়া টি কলিতা পৰীক্ষা কেন্দ্ৰটোত উপস্থিত হয়। পিছত কেন্দ্ৰটোৰ পৰীক্ষাৰ্থীসকলক নিৰ্দিষ্ট সময়তকৈ ৩৫ মিনিট সময় বঢ়াই দিয়া হয়। পৰীক্ষা কেন্দ্ৰটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱা ঘটনাটোৰ সন্দৰ্ভত অতিৰিক্ত আয়ুক্তগৰাকীৰ প্ৰতিক্ৰিয়া স্থানীয় সাংবাদিকে জানিবলৈ বিচৰাত আয়ুক্তগৰাকীয়ে প্ৰতিক্ৰিয়া দিয়াটো নিয়ম নহয় বুলি কয় যদিও সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মাথোন কয় যে প্ৰধান শিক্ষকজনৰ কাৰ্যৰ বিৰুদ্ধে তদন্ত কৰি উচিত ব্যৱস্থা লোৱা হ'ব। পৰীক্ষাৰ্থীসকলক ৩৫ মিনিট সময় বঢ়াই দিয়া বুলিও কোৱাৰ লগতে ওচৰৰে গোপালথান আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক মুক্তাৰাম পাটোৱাৰীক পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত পৰীক্ষা পৰিচালকৰ দায়িত্ব দিয়া হৈছে বুলি কয় অতিৰিক্ত আয়ুক্ত গোস্বামীয়ে। জিলা শিক্ষা বিষয়াগৰাকীৰ পৰা স্থানীয় সাংবাদিকে প্ৰতিক্ৰিয়া ল'বলৈ পৰীক্ষা কেন্দ্ৰৰ প্ৰৱেশ পথত অপেক্ষা কৰি আছিল। কিন্তু শিক্ষা বিষয়াগৰাকীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰতে বাহনত উঠি আঁতৰি যায়। ইপিনে, স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক অশোক চৌধুৰীয়ে ২০১৫ চনত বিদ্যালয়খনত যোগদান কৰাৰ এবছৰ পিছতেই বিদ্যালয়ত সংঘটিত কৰা এক অবাঞ্চিত ঘটনাৰ বাবেই ৰাইজৰ দাবীত শিক্ষা বিভাগে প্ৰায় ৪ মাহ নিলম্বন কৰিছিল। ২০২৩ বৰ্ষৰ ১ ফেব্ৰুৱাৰীৰ পৰা প্ৰধান শিক্ষকৰ দায়িত্ব লৈ অহা প্ৰধানজনে নিৰ্দিষ্ট দুজনমান বাহিৰা ব্যক্তিক লগত লৈ বিদ্যালয় পৰিচালনা কৰি আহিছিল। গুৰুত্বপূৰ্ণ মেট্ৰিক পৰীক্ষাৰ দিনাও প্ৰধান শিক্ষকজনে নিজৰ মইমতালিৰে নিৰ্দিষ্ট সময়ত উপস্থিত হোৱা নাছিল। পৰীক্ষা প্ৰশ্নকাকত জমা ৰখা গোৰেশ্বৰ আৰক্ষী থানাত গৈও নিজৰ পৰীক্ষা কেন্দ্ৰৰ নম্বৰ ক'ব পৰা নাছিল বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, আজিৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিভাগে প্ৰধান শিক্ষকজনক চাকৰিৰ পৰা নিলম্বন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ নেতা মনোজ চৌহানৰ

নেতা মনোজ চৌহানৰ বিৰুদ্ধে ফৌজদাৰী মানহানি গোচৰ ৰুজু কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ডুবাই আৰু ছিংগাপুৰৰ শ্বপিং মল, হোটেল ব্যৱসায় তথা ৰিয়েল ষ্টেট ব্যৱসায়ত ধন বিনিয়োগ কৰাৰ অভিযোগ উত্থাপন কৰা বিষয়টোক গুৰুত্বসহকাৰে লৈ এই অভিযোগক ভিত্তিহীন আখ্যা দি আদালতৰ কাষ চাপে। কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশৰ আদালতত ফৌজদাৰী মানহানি গোচৰ ৰুজু কৰিছে। ন্যায় সংহিতাৰ ৭৮/২৫ নম্বৰত গোচৰ ৰুজু কৰি কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আদালতে ১৭ মাৰ্চত চৌহানক আদালতত উপস্থিত হ'বলৈ নিৰ্দেশ দিছে। লগতে মুখ্যমন্ত্ৰীয়ে চৌহানৰ বিৰুদ্ধে দেৱানী মানহানি গোচৰ ৰুজু কৰিব বুলি জনসংযোগে বিভাগে প্ৰকাশ কৰি এক বিবৃতিত উল্লেখ কৰিছে। নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছৰ সহ-তত্বাৱধায়ক মনোজ চৌহানে ১১ ফেব্ৰুৱাৰীত গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী শৰ্মাই ডুবাই আৰু ছিংগাপুৰৰ হোটেল ব্যৱসায় তথা ৰিয়েল ষ্টেট ব্যৱসায়ত ধন বিনিয়োগ কৰাৰ অভিযোগ আনিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তদন্তবোৰৰ অন্ত কেতিয়া?

কিমান শক্তিশালী? মন গ'লেই হত্যাকাৰীয়ে যিকোনো ঠাইতে হত্যা কৰি নিৰ্বিঘ্নে পলায়ন কৰিব পাৰে। বোমাৰে উৰুৱাই দিব পাৰে একোটা অঞ্চল। "চোৰ গ'লে বুধি, বৰষুণ গ'লে জাপি" নীতিৰেই যেন চলি আছে আমাৰ দেশৰ সুৰক্ষা ব্যৱস্থা। দিন-দুপৰতে পৰাগ কুমাৰ দাসক মহানগৰীৰ মাজ-মজিয়াত গুলীয়াই থৈ গ'ল। আজিলৈ ধৰা নপৰিল হত্যাকাৰী। আৰু যে কিমান মানুহক এনেদৰে দিন-দুপৰতে হত্যা কৰা হ'ল তাৰ সীমা-সংখ্যা নাই। আজিলৈকে পিছে সেই ঘটনাবোৰৰ বিচাৰ ওলমি ৰৈছে আদালতৰ মজিয়াত। আধাতে স্তব্ধ হৈ পৰিছে তদন্ত প্ৰক্ৰিয়া। যিবোৰ ঘটনাৰ তদন্ত চলি আছে সেইবোৰ সঠিকভাৱে আগবঢ়া নাই।

মুঠৰ ওপৰত প্ৰহসনত পৰিণত হৈছে সমগ্ৰ আইনী প্ৰক্ৰিয়া। আইনৰ জটিল মেৰপেচত সোমাই বহু এনে ঘটনা অমীমাংসিত হৈয়ে ৰৈ গৈছে। কিন্তু এনেকৈ আৰু কিমান দিন? কেতিয়া শাস্তি পাব দোষীসকলে? কেতিয়া আমাৰ দেশত, আমাৰ ৰাজ্যত সঠিক দিশত আগবাঢ়িব প্ৰতিটো তদন্ত। প্ৰতিবছৰে আমাৰ ৰাজ্যত অলেখ হত্যাকাণ্ড, দুৰ্নীতি আদি সংঘটিত হয়। সেইবোৰৰ তদন্ত কৰিবলৈ চৰকাৰে গঠন কৰি দিয়ে বিশেষ তদন্ত কমিটি। কেতিয়াবা আদালতেও তেনে তদন্ত কমিটি গঠন কৰি দিয়ে। কিন্তু অন্তিম মুহূৰ্তত সকলো আধাতে স্তব্ধ হৈ পৰে।

এদিন ক্ষোভত ফাটি পৰা জনতাই পিছলৈ সকলো পাহৰি পেলায়। এমুঠি ভাতৰ বাবে চিন্তা কৰিবলগীয়া হোৱা আমাৰ দেশৰ বা আমাৰ ৰাজ্যৰ সৰ্বসাধাৰণৰ বাবে তদন্তই কোন দিশে গতি কৰিছে সেয়া বাৰে বাৰে নীৰিক্ষণ কৰি থকাতো সম্ভৱো নহয়। এতিয়া কথা হ'ল, কিয় বাৰে বাৰে এনেদৰে প্ৰহসনত পৰিণত হয় ঘটনাবোৰৰ তদন্ত প্ৰক্ৰিয়া। জলজল-পটপট হৈ থকা ঘটনা এটাৰ দোষীকো কিয় চিনাক্ত কৰিব নোৱাৰে তদন্তৰ দায়িত্বত থকা আৰক্ষী বা আন তেনে সংস্থাসমূহৰ বিষয়াসকলে? তদন্তবোৰৰ এনে দুখ লগা অৱস্থাই কাল্পনিক হ'লেও গুৰুত্বপূৰ্ণ কৰি তোলে শ্বাৰ্লক হোমছৰ প্ৰসংগ। পৰিস্থিতি এনে হৈ পৰিছে যে ছাৰ আৰ্থাৰ কনন ডায়েলৰ গ্ৰন্থৰ পাতৰ পৰা শ্বাৰ্লক হোমছক জীয়াই তুলি আমাৰ এই মুলুকলৈ লৈ আহিলেহে হয়তো প্ৰতিটো হত্যাকাণ্ড, প্ৰতিটো দুৰ্নীতিৰ দোষী এমাহ, এবছৰ নহয় এঘণ্টাতে ধৰা পৰিব। তেতিয়া দিন-দুপৰতে গুলীয়াই হত্যা কৰি থৈ যোৱা কোনো নিৰপৰাধী লোকৰ হত্যাকাৰীক কৰায়ত্ত কৰিবলৈকো ৰাইজে চৰকাৰ প্ৰশাসনক ইমান হেঁচা দিয়াৰ প্ৰয়োজন নহ'ব। ছিগাৰ হুপি শ্বাৰ্লক হোমছ এঘণ্টাৰ বাবে ঘটনাস্থলীলৈ যাব আৰু সেইদিনাই প্ৰমাণসহ ধৰা পেলাব হত্যাকাৰী। হত্যা কাণ্ডৰ তদন্ত চিবিআইক অৰ্পণৰ দাবীত উত্তাল হৈ নপৰিব সমগ্ৰ ৰাজ্য।

তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিলেই দোষী ধৰা পৰিব বুলি আমি বুকুত হাত থৈ ক'ব পাৰোনে? নিশ্চয় নোৱাৰো। কাৰণ আমাৰ দেশৰ, আমাৰ ৰাজ্যৰ তদন্তকাৰী সংস্থাসমূহকো ৰাজনীতিয়ে প্ৰতি মুহূৰ্ততে নিয়ন্ত্ৰণত ৰাখে।

এনে পৰিস্থিতিৰ বাবেই আমাক এজন শ্বাৰ্লক হোমছ লাগে। পিছে পৰিতাপৰ কথা এয়ে যে আমাৰ দেশত, আমাৰ ৰাজ্যত তেনে এজন শ্বাৰ্লক হোমছৰ জন্মৰ বাবে প্ৰয়োজন হ'ব দীঘলীয়া অপেক্ষাৰ। তেতিয়ালৈ দুই-এটা সৰু-সুৰা ঘটনাৰ বাদে গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ ঘটনাবোৰৰ তদন্ত সেই বৰ্তমানৰ দৰে ভেকোভাওনা হৈয়ে যে থাকিব সেয়া প্ৰায় নিশ্চিত বুলিব পাৰি।



দিল্লী ষ্টেশ্যনত পদপিষ্ট হোৱাৰ পিছৰ দৃশ্য

# গোলাঘাটৰ সাংস্কৃতিক কৰ্মী, ভ্ৰাম্যমাণৰ অভিনেতা প্ৰৱাল দুৱৰাৰ আকস্মিক বিয়োগ

**ই-সংবাদ, খুমটাই, ১৫ ফেব্ৰুৱাৰীঃ** গোলাঘাটৰ এমেছাৰ গ্ৰুপকে ধৰি ভাওনাৰ প্ৰশিক্ষক, আবৃত্তিকাৰ প্ৰৱাল প্ৰিয়াংশু দুৱৰা ওৰফে বাবাৰ কালি আকস্মিক মৃত্যু ঘটে। জানিব পৰা মতে, কালি নিজৰ ব্যৱসায় সামৰি ঘৰলৈ যায় প্ৰৱাল প্ৰিয়াংশু। ঘৰত উপস্থিত হৈ হৃদ ৰোগত আক্ৰান্ত হয় সাংস্কৃতিক কৰ্মীজন। লগে লগে তেওঁক গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও উন্নত চিকিৎসাৰ বাবে যোৰহাট জি এম চি এইচ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পিছত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত দুৱৰাক চিকিৎসকে মৃত ঘোষণা কৰে। গোলাঘাটৰ নতুন আমলাপট্টিৰ নিজা বাসগৃহৰ পৰা তেওঁৰ মৃতদেহ শোভাযাত্ৰা কৰি গোলাঘাট এমেছাৰ ছ'চাইটি প্ৰেক্ষাগৃহৰ সন্মুখত ৰাখি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। উক্ত অনুষ্ঠানত গোলাঘাট এমেছাৰ ছ'চাইটিৰ ডও আজিত বৰুৱা, দীপমণি খাটনিয়াৰৰ উপৰি



গোলাঘাট প্ৰেছ ক্লাবৰ সভাপতি দিগন্ত ভূঞা, সম্পাদক প্ৰৱীণ দাসৰ লগতে অগণন গুণমুগ্ধই তেওঁক শেষ শ্ৰদ্ধা জনায়। ইয়াৰ পিছত নগাবালি ৰাজহুৱা শ্মশানত অগণন গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। এসময়ৰ ভ্ৰাম্যমাণৰ অভিনেতা প্ৰৱাল প্ৰিয়াংশুৱে মৃত্যুৰ সময়ত পত্নীৰ লগতে এটি কন্যা সন্তান ইহসংসাৰত এৰি থৈ যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪৬৪৫ ঠিকাভিত্তিক শিক্ষকক নিযুক্তি

বিদ্যালয়ত অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক হিচাপে কৰ্মৰত ৪,৫৮৭ শিক্ষকক নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি দি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। লগতে ৫৮ প্ৰাৰ্থীক বিভিন্ন মহাবিদ্যালয়ত সহকাৰী অধ্যাপক নিযুক্তি দিয়া হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত নিযুক্তি প্ৰদান অনুষ্ঠানত ৫৮ অধ্যাপকসহ ৪৬৪৫ প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নিযুক্তি লাভ কৰা শিক্ষকক সেৱাৰ মনোভাবেৰে কাম কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ২০০৮ চনত এনে নিযুক্তিৰ সংখ্যা প্ৰায় ৫ হাজাৰতকৈও অধিক আছিল। মাদ্ৰাছা শিক্ষানুষ্ঠান সমূহতো চুক্তিমূলক শিক্ষক নিযুক্তি দিয়া হৈছিল। সকলোকে চৰকাৰৰ সিদ্ধান্ত অনুসৰি ২০০৮ চনত আৰম্ভ হোৱা নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ সমাপন কৰি সকলোকে নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি দিছো। আজি নিযুক্তি পত্ৰ প্ৰদান কৰি দিয়া ভাষণত ডও শৰ্মাই বিদ্যালয়ত অতিৰিক্ত শিক্ষক হিচাপে এইসকল শিক্ষকে দায়িত্ব পালন কৰি আহিছে বুলি কৈ কয় যে এওঁলোকক নিযুক্তি স্বচ্ছতাৰে সম্পন্ন হৈছে। প্ৰথমে ৮ হাজাৰ টকা, ২০১২ চনত ১৫,৫০০ টকা দৰমহা বৃদ্ধি কৰা হয়। ২০১৮ চনত ২০ হাজাৰ টকালৈ দৰমহা বৃদ্ধি কৰা হয়। আমাৰ চৰকাৰে অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকক সাধাৰণ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পদৰ দৰে সা-সুবিধা প্ৰদান কৰা কৰো। মুখ্যমন্ত্ৰীয়ে নিয়মীয়াকৰণৰ ফলত শিক্ষক-শিক্ষয়িত্ৰীসকলে চৰকাৰী সুবিধা পাব আৰু ২৫ বছৰ চাকৰি থকাসকলে আন পৰ্যায়ত, ১০ বছৰ চাকৰি থকাসকলে নিয়মিত পেন্সন লাভ কৰিব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ লোকসেৱা আৰোগ্য যোজনা আঁচনি, জ্যেষ্ঠতাৰ ভিত্তিত প্ৰধান শিক্ষ, অধ্যক্ষ পদ, দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু হ'লে ১ কোটি টকাৰ সাহায্য পৰিয়ালে লাভ কৰিব বুলি ঘোষণা কৰে। চাকৰিকালত মৃত্যু হ'লে ৬০ বছৰলৈ দৰমহা লাভ কৰিব বুলি কয়। মুখ্যমন্ত্ৰী শৰ্মাই আজি ভাষণত স্পষ্টকৈ কয় যে দুৰ্ঘটনাত চৰকাৰী কৰ্মচাৰীৰ নিহত হ'লে আত্মীয়ই ৬০ বছৰলৈ পাব চৰকাৰী দৰমহা। দুৰ্ঘটনাত নিহত কৰ্মচাৰীৰ পৰিয়ালে পাব ১ কোটি টকাৰ সাহায্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অবৈধ ভাৰতীয় লোকৰ আনটো

পুনৰ অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক বিতাড়নৰ ব্যৱস্থা গ্ৰহণ কৰিলে ট্ৰাম্প প্ৰশাসনে। দ্বিতীয় পৰ্যায়ত এইবাৰ ১১৯ জন প্ৰব্ৰজনকাৰীক ভাৰতলৈ বিতাড়ন কৰিছে আমেৰিকাই। তেওঁলোকক কঢ়িয়াই অনা বিমানখন শনিবাৰে নিশা অমৃতসৰত অৱতৰণ কৰিব। ইয়াৰে অধিকাংশই পঞ্জাৱ, হাৰিয়ানা, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ বাসিন্দা। উল্লেখ্য যে, মোদীৰ সদ্য মাৰ্কিন ভ্ৰমণৰ সময়ত মোদী আৰু ড'নাল্ড ট্ৰাম্পৰ বৈঠকত অবৈধ অনুপ্ৰৱেশৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছিল। মোদীয়ে স্পষ্টকৈ কয় যে আমেৰিকাই তেওঁলোকক বিতাড়িত কৰিলে ভাৰতীয় অবৈধ অনুপ্ৰৱেশকাৰীক গ্ৰহণ কৰিবলৈ সাজু। পূৰ্বে ১০৪ জন ভাৰতীয়ক ওভতাই পঠিওৱা হৈছিল, আৰু এইবাৰ পুনৰ এই প্ৰক্ৰিয়া আৰম্ভ হৈছে। সূত্ৰ অনুসৰি শনিবাৰে নিশা ১০ বজাৰ পৰা ১১ বজাৰ ভিতৰত অমৃতসৰত নামিব আমেৰিকাৰ বিমানত বিতাড়িত হোৱা ১১৯ জন ভাৰতীয় প্ৰব্ৰজনকাৰী। ইয়াৰে ৬৭ জন পঞ্জাৱৰ, ৩৩ জন হাৰিয়ানাৰ, ৮ জন গুজৰাটৰ, ৩ জন উত্তৰ প্ৰদেশৰ, ২ জন মহাৰাষ্ট্ৰৰ, ২ জন ৰাজস্থানৰ, ১ জন গোৱা, ১ জন হিমাচল প্ৰদেশৰ আৰু ১ জন কাশ্মীৰৰ বুলি জানিব পৰা গৈছে। লগতে, দেওবাৰে আৰু কিছু ভাৰতীয়ক বিতাড়িত হ'ব পাৰে বুলিও খবৰ আহিছে। অৱশ্যে যোৱাবাৰৰ দৰে বিমানেৰে উভতাই পঠোৱা প্ৰব্ৰজনকাৰীসকলক শিকলিৰে বান্ধি অনা হোৱা নাই বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বে ১০৪ জন ভাৰতীয়ক হাত-ভৰি বান্ধি ঘূৰাই অনা হৈছিল, যাৰ বাবে ভাৰতত যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছিল। সংসদতো বিৰোধীয়ে ক্ষোভ প্ৰকাশ কৰিছিল। পিছত বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে বিষয়টো পৰ্যবেক্ষণ কৰাৰ আশ্বাস দিয়ে। মন কৰিবলগীয়া যে অধিকাংশ অনুপ্ৰৱেশকাৰীয়েই বিতৰ্কিত 'ডাংকি পথ' ব্যৱহাৰ কৰি আমেৰিকাত উপস্থিত হৈছিল। বহুতে দালালৰ জৰিয়তে অবৈধভাৱে আমেৰিকাত প্ৰৱেশ কৰিছিল, লাখ লাখ টকা খৰচ কৰিছিল, মাটি বিক্ৰী কৰিছিল। এনেধৰণৰ মানৱ সৰবৰাহৰ ঘটনা ৰোধ কৰিবলৈ পঞ্জাৱ আৰু হাৰিয়ানা আৰক্ষীয়ে ইতিমধ্যে দালালৰ বিৰুদ্ধে দমন চলাইছে আৰু কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ পিছতো প্ৰতি বছৰে ভাৰতৰ ভিন্ন প্ৰান্তৰ পৰা আমেৰিকালৈ অবৈধ সোঁত বৈয়েই আছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমবাসীক আকৌ চৰকাৰৰ জাপানী

আজি এক সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে ৰাজনৈতিক তথা দেশৰ সুৰক্ষা জড়িত প্ৰশ্ন তুলি সাংসদগৰাকীক তীব্ৰ আক্ৰমণ কৰি থকাৰ সময়তে শনিবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এডভান্টেজ আছাম-২.০, ঝুমইৰ বিনন্দিনী আদি বিষয় সামৰি সংবাদ মেল আয়োজন কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভাৰতীয় বায়ু সেনাৰ ইষ্টাৰ্ন এয়াৰ কমাণ্ডৰ এ অ'চি-ইন-চি এয়াৰ মাৰ্শ্বেল ছুৰট সিঙৰ সৈতে লোক সেৱা ভৱনত সাক্ষাতত মিলিত হয়। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীয়ে লোকসেৱা ভৱনত আয়োজন কৰা সংবাদ মেলত আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলন 'এডভান্টেজ আছাম-২.০' সম্পৰ্কে সাংবাদিকক অৱগত কৰিবলৈ গৈ কয় যে এডভান্টেজ আছাম-১.০ৰ প্ৰথম সফলতা আছিল নুমলীগড় শোধনাগাৰৰ ক্ষমতা বৃদ্ধি। দ্বিতীয়তে পাৰাদ্বীপৰ পৰা নুমলীগড়লৈ ক্ৰুড অইল পাইপ লাইন স্থাপন। তৃতীয়তে গেছ পাইপ লাইন স্থাপন। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত তিনি বছৰত অসমত যথেষ্ট শান্তি ঘূৰি আহিছে। কোকৰাঝাৰত প্ৰথমবাৰৰ বাবে অসম বিধানসভাৰ এটা দিনৰ অধিৱেশন অনুষ্ঠিত হোৱাকে ধৰি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এডভান্টেজ আছাম ২.০ আদি অসমৰ শান্তি-শৃংখলাৰ উন্নতি অহাৰ বাবে সম্ভৱ হৈছে। তেওঁ আমেৰিকাতো ৰোড শ্ব' কৰাৰ লক্ষ্য আছিল বুলি উল্লেখ কৰি সেয়া কিছু কাৰণত হৈ নুঠিল বুলি ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয়--- ৬ জানুৱাৰীত ১১খন চেম্বাৰ অৱ কমাৰ্চৰ বৈঠক, ৭ জানুৱাৰীত ৩১খন দেশৰ এম্বেছাডৰসকলৰ সৈতে বৈঠক হৈছিল। ৪০টা লিডিং গোটৰ উপস্থিতিত ৭ জানুৱাৰীত আৰু এখন বৈঠক অনুষ্ঠিত হৈছিল। জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰত ৰোড শ্ব' অনুষ্ঠিত হৈছিল। মুখ্যমন্ত্ৰীয়ে দক্ষিণ কোৰিয়া, ছিংগাপুৰ, জাপান ভ্ৰমণৰ বিষয়ে ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয়- ২৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব প্ৰধানমন্ত্ৰী মোদী। সৰুসজাইৰ ঝুমইৰ নৃত্যত অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰীগৰাকী। ২৫ তাৰিখে এডভান্টেজ আছাম ২.০ত উপস্থিত থাকিব মোদী। এডভান্টেজ আছাম ২.০ৰ সামৰণী অনুষ্ঠানত উপস্থিত থাকিব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন। অনুষ্ঠানত ক্ষুদ্ৰ উদ্যোগ, লাখপতি বাইদেউসকল উপস্থিত থাকিব। ৩১খন দেশৰ ৰাষ্ট্ৰদূত আৰু দেশৰ প্ৰতিনিধিয়ে অংশ ল'ব এডভান্টেজ আছামত বুলি উল্লেখ কৰি তেওঁ বৃহৎ আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলনত যিসকল উপস্থিত থাকিব সেয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে কয়- জাপানে অসমৰ পৰা বহুত মেনপাৱাৰ ল'ব বিচাৰে। ছিংগাপুৰে অসমৰ পৰা নাৰ্ছ ল'ব বিচাৰিছে। ইতিমধ্যে ১৭গৰাকীয়ে তাত কাম কৰি আছে। ইয়াৰে দুগৰাকীয়ে মেডিকেল কলজেৰ চাকৰি এৰি গৈছে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ দুশ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব অনুষ্ঠানত। সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে কয় যে ক্ষুদ্ৰ উদ্যোগক বাদ দি কেতিয়াও মজলীয়া আৰু বৃহৎ উদ্যোগ সফল হ'ব নোৱাৰে। জাপানে অসমৰ সৈতে দুখন চুক্তি কৰিব বিচাৰিছে। ইয়াৰে এখন চুক্তি হ'ব তেওঁলোকৰ প্ৰবক্তাই অসমৰ যুৱক-যুৱতীক প্ৰশিক্ষণ দিব। ৯ মাহৰ এটা বিশেষ প্ৰশিক্ষণ শিবিৰ, তেওঁলোকক আমি প্ৰশিক্ষণৰ স্থান দিব লাগিব। প্ৰশিক্ষণ লোৱা প্ৰতিজনে অতি কমেও ৫০ হাজাৰ টকা দৰমহা লাভ কৰিব। অৱশ্যে প্ৰশিক্ষণ লৈ যদি কোনোৱাই জাপানত যাব নিবিচাৰে তেন্তে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানত কাম লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কয়, অসমখন মুখ্যমন্ত্ৰীয়ে সলনি কৰিব নোৱাৰে। ৰাজ্যৰ প্ৰতিজন মানুহে সলনি কৰিব লাগিব। ট্ৰেভেল এডভাইজাৰী বাতিল কৰিব লাগিব, ইয়াৰ বাবে কাম-কাজ চলি আছে। শেহতীয়া এডভান্টেজ অসম আছিল সম্পূৰ্ণ চৰকাৰী কাম-কাজত বিনিয়োগ। জাপানত ৫০ হাজাৰ যুৱক-যুৱতীয়ে চাকৰি পাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জাপানৰ সৈতে শীঘ্ৰে বুজাবুজি চুক্তি হ'ব বুলি উল্লেখ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে সদগুৰু মধুসূদন সাইৰ সৈতে গুৱাহাটীত কৰেল শ্ব'ৰছ বি পি অ' ডেলিভাৰী চেণ্টাৰ এটি উছৰ্গা কৰে। এই বি পি অ'ই যুৱ সমাজক অধিক সবল কৰি তোলাৰ লগতে অসমৰ বাহিৰলৈ নোযোৱাকৈ ইয়াতে বহু যুৱক-যুৱতীৰ সংস্থাপনৰ বাট মুকলি কৰিব বুলি তেখেতে উল্লেখ কৰে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ত অতিৰিক্ত (ঠিকাভিত্তিক) শিক্ষক হিচাপে শিক্ষা ক্ষেত্ৰখনলৈ সেৱা আগবঢ়াই অহা ৪,৫২৯গৰাকী শিক্ষকক নিয়মীয়া শিক্ষক হিচাপে আৰু ৫৮গৰাকী প্ৰাৰ্থীক ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীত আয়োজিত অনুষ্ঠানটিত ৰাজ্যৰ শৈক্ষিক আকাশক উজলাই তোলাৰ বাবে সমৰ্পিত মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলক আহ্বান জনায়। আজিৰ দিনটোত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমত সাংসদ গৌৰৱ গগৈ সম্পৰ্কীয় কেইটামান অতি গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় দিশত জনসাধাৰণ দৃষ্টি আকৰ্ষণ কৰে। তেওঁ দিনটোত দিয়া তথ্যসমূহৰ সৈতে দেশৰ নিৰাপত্তাৰ লগতে বিশেষকৈ অসমৰ কেতবোৰ স্পৰ্শকাতৰ দিশো সংপৃক্ত হৈ আছে। ডঃ শৰ্মাই উদ্ধৃতি দিয়া সাংসদগৰাকী জড়িত এন জি অ'ৰ প্ৰবন্ধত দেশৰ বি এছ এফে কৰা 'মানৱ অধিকাৰ উলংঘন'ৰ বিষয়ে কোৱা হৈছে আৰু অবৈধ বাংলাদেশীৰ বাবে 'দয়ালু পন্থা'ৰ পৰামৰ্শ দিয়া আদি বিষয়বোৰ উল্লেখ থকাৰ কথা ব্যক্ত কৰে। লগতে প্ৰবন্ধ প্ৰকাশৰ সময়খিনি সাংসদগৰাকীয়ে কেইবাজনো যুৱক-যুৱতীক পাকিস্তানৰ উচ্চায়ুক্তৰ সৈতে ব্ৰেইন ৱাশ্বিং ছেছনলৈ নিয়াৰ বুলি সন্দেহ প্ৰকাশ কৰে। দ্বিতীয়তে সাংসদগৰাকীৰ পত্নী এলিজাবেথ কলবাৰ্নৰ সহকৰ্মী তথা ছুপাৰভাইজাৰ আলি তাকিৰ শ্বেখৰ সম্বন্ধ টানি শ্বেইখৰ এক্স (পূৰ্বতে টুইটাৰ)ত উপলব্ধ আপডেটসমূহ প্ৰকাশ কৰি বিষয়টোত গুৰুতৰ মোৰ দিয়ে। সেই সমূহ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় লিখিছে যে- শ্বেখৰ কাম আৰু প্ৰবন্ধবোৰ ভালদৰে পৰীক্ষা কৰিলে এক গভীৰ আৰু অধিক কৌশলগতভাৱে কাম কৰাৰ ৰূপ এটা প্ৰকাশ পায়, যিটো বিশেষকৈ অসমৰ সৈতে বেছি প্ৰাসংগিক। এই নেটৱৰ্কৰ পৰিধি আৰম্ভণিতে ভবাতকৈ এতিয়া অধিক গুৰুতৰ আৰু গভীৰ ৰূপত ওলাই পৰিছে। লগতে তেওঁ উল্লেখ কৰে যে লীড পাকিস্তানত এলিজাবেথ কলবাৰ্নৰ সহকৰ্মী তথা তত্ত্বাবধায়ক পাকিস্তানী লোকজনে ভাৰতবিৰোধী অপপ্ৰচাৰ চলোৱাৰ লগতে সাংসদ ডাঙৰীয়াক ২০২০ চনৰ দিল্লী ৰায়তৰ ঘটনা সংসদত উত্থাপন কৰাৰ বাবে প্ৰশংসা কৰিছিল। গতিকে ইয়াৰ পৰা তেওঁলোকৰ মাজৰ এই সম্পৰ্ক যথেষ্ট গভীৰ বুলি মন্তব্য কৰে। বিষয়টো আৰম্ভণিতে ভবাতকৈ এতিয়া অধিক গুৰুতৰ আৰু গভীৰ ৰূপ ধাৰণ কৰিছে। এই সময়ত গৌৰৱ গগৈয়ে দেশৰ সাৰ্বভৌমত্ব-নিৰাপত্তা আৰু অসমৰ ভৱিষ্যতৰ কথাও জড়িত আৰোপিত বিষয়ত কেনেধৰণৰ স্থিতি প্ৰদৰ্শন কৰিব, তাক লৈও ৰাজ্যৰ ৰাজনৈতিক মহলৰ লগতে নেটিজেনসকলৰ মাজত ব্যাপক চৰ্চা অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ পত্নীৰ পাক সংযোগক লৈ

ঘোষণা কৰাৰ পিছতে এইবাৰ গৌৰৱ গগৈৰ পত্নীৰ পাচপৰ্ট, ভিছা পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰ বিশেষ তদন্তকাৰী সমিতি গঠন কৰাৰ ঘোষণা কৰিছে। কাইলৈ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ বৈঠক অনুষ্ঠিত হ'ব। কেবিনেটত এছআইটি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিব। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া অসম কেবিনেটৰ বৈঠকত ৰাজ্যৰ এগৰাকী সন্মানীয় সাংসদক লৈ সম্প্ৰতি প্ৰকাশ হোৱা তথ্যসমূহৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ওপৰত প্ৰভাৱ আছে নেকি, সেই বিষয়ত আলোচনা কৰা হ'ব। সেই আলোচনাই বিষয়টো সম্পূৰ্ণ নিৰপেক্ষ আৰু পুংখানুপুংখভাৱে মূল্যায়ন কৰি পক্ষপাতহীন দৃষ্টিকোণেৰেই যিকোনো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাটো নিশ্চিত কৰিব। সাংসদ গৌৰৱ গগৈৰ নাম নোলোৱাকৈ বাৰে বাৰে মাননীয় সাংসদগৰাকী বুলি কৈ বিগত তিনি-চাৰিদিনত কেইবাটাও পোষ্ট কৰিছে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। সামাজিক মাধ্যম যোগে সাংসদ গৌৰৱ গগৈ আৰু পত্নীক টাৰ্গেট কৰি লোৱা পৰিলক্ষিত হৈছি। আজি তিনিটা পোষ্টযোগে মুখ্যমন্ত্ৰীয়ে সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে কেতবোৰ বিস্ফোৰক অভিযোগ অনাৰ পাছতে এছআইটি গঠনৰ কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে বিষয়টো কেবিনেটত আলোচনা কৰি প্ৰয়োজনত পদক্ষেপ গ্ৰহণ কৰাৰ কথা সদৰী কৰিছে। এনে পৰিপ্ৰেক্ষিতত এতিয়া বিষয়টোৱে অনাগত দিনত কি ৰূপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ বাবে পত্নী এলিজাবেথলৈ

হয়তো গৌৰৱ গগৈয়ে পাহৰা নাই। লেতেৰা ৰাজনীতিৰ বাবে আজি এলিজাবেথ আক্ৰমণৰ লক্ষ্য যদিও পত্নীক গৌৰৱ গগৈয়ে স্পষ্টকৈ কৈ দিছে ‘তুমি অন্তৰত কষ্ট পাইছে, কিন্তু এই যুঁজত মই তোমাৰ সৈতে সদায়েই আছো।’ পত্নীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে গৌৰৱে। বাৰে বাৰে বিজেপি দলৰ নেতা তথা বিশেষকৈ গৌৰৱ গগৈৰ পিতৃৰ একালৰ নয়নৰমণি হিমন্ত বিশ্ব শৰ্মাই পত্নীক লৈ বাৰে বাৰে আক্ৰমণ কৰি গৈছে। গৌৰৱৰ পত্নীক পাকিস্তানৰ গুপ্তচৰ হিচাপে প্ৰমাণ কৰিবলৈ আইএছআইৰ সৈতে সম্পৰ্ক থকাৰ কথা কৈ বাৰে বাৰে প্ৰশ্ন কৰা হৈছে। কেৱল গৌৰৱ গগৈকে নহয় এতিয়া পত্নী এলিজাবেথ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্য টাৰ্গেট। মুখ্যমন্ত্ৰীয়ে পৰিয়ালৰ ভোটাৰ তালিকা পৰ্যন্ত ৰাজহুৱা কৰিছে। বিভিন্ন ফটো মুখ্যমন্ত্ৰীয়ে খোদ ফেচবুক পেজত শ্বেয়াৰ কৰি আক্ৰমণৰ পিছত আক্ৰমণ কৰি গৈছে পত্নী এলিজাবেথক। তাৰ মাজতে গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ প্ৰতি সন্দেহৰ ৰাতাবৰণ তৈয়াৰ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শক্তি শেল নিক্ষেপ কৰি থকাৰ সময়তে গৌৰৱ এৰি দিছে এক ব্ৰহ্মাস্ত্ৰ। পত্নীলৈ বুলি ফেচবুকতে কিছু কথা উল্লেখ কৰি এই সময়ত অলিজাবেথৰ পূৰ্ণ সমৰ্থন দি কাষত থিয় দিছে গৌৰৱ গগৈয়ে। এগৰাকী স্বামী হিচাপে যিখিনি দায়িত্ব পালন কৰিব লাগে সেইখিনি দায়িত্ব পালন কৰিছে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে ফেচবুক এটা পোষ্ট দি লিখিছে যে “প্ৰিয় এলিজাবেথ.... আজি মই তোমাক কৃতজ্ঞতা জনাইছো, যোৱা কিছুদিনৰ পৰা তোমাৰ নাম চৌদিশে চৰ্চিত। আজি তোমাৰ নাগৰিকত্বৰ ওপৰত প্ৰশ্ন। বিবাহৰ পাছত সকলো ছোৱালীয়েই ঘৰ-পৰিয়াল এৰি আহে। কিন্তু, তুমি মাথো ঘৰ-পৰিয়ালেই  নহয়, নিজৰ মাতৃভূমিকে এৰি আহিলা। ভাৰতলৈ আহি তুমি আমাৰ ভাষা-সংস্কৃতি, পৰম্পৰাক আকোৱালি ল'লা। এগৰাকী অসমীয়া বোৱাৰী হিচাপে অসমলৈ আহি তুমি আমাৰ সংস্কৃতি গ্ৰহণ কৰিলা। নাম, ভাওনা, বিহু, পূজা সকলোতে তুমি ভাগ ল'লা। কৰ্মস্থলী দিল্লীতে থাকি আমাৰ দুই সন্তানক ডাঙৰ-দীঘল কৰিছা। তোমাৰ ব্ৰিটিছ পচপৰ্ট তোমাৰ অপৰাধ নহয়। তোমাৰ অ'চিআই কাৰ্ডো কোনো নীতি বহিৰ্ভূত নহয়। নিশ্চয়কৈ প্ৰতিগৰাকী নাৰীৰ দৰেই তোমাৰ নিজৰ মা-দেউতা আৰু নিজৰ মাতৃভূমিৰ প্ৰতি অলপ হ'লেও টান থাকিবই। নিজৰ মা-দেউতাক লগ পাবলৈ মনত হেঁপাহ থাকিবই। তুমি ৰাজনীতিৰ পৰা বহু আঁতৰত থাকা। কিন্তু আজি ৰাজনীতিয়ে তোমাকো টানি আনিছে। তুমি আইএচআই নহয়, এগৰাকী মেধাসম্পন্ন প্ৰতিভাশালী নাৰী। অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ ওপৰত বিশ্বাস ৰাখা। সকলোৰে জানে প্ৰকৃত সত্য কি। সত্যমেৱ জয়তে।” চিঠিখন এতিয়া ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গান্ধী-নেহৰুৰ কিতাপৰ বাবে বাতিল

‘অঘোষিত’ নিৰ্দেশনাই এতিয়া বিপাকত পেলাইছে উত্তৰাখণ্ডৰ একমাত্ৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ক। গ্ৰন্থমেলা আয়োজন কৰাৰ অনুমতি দিয়াৰ পাছতো শেষ মুহূৰ্তত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰত্যাহাৰ কৰে। অভিযোগ অনুসৰি এবিভিপিৰ হেঁচাত এই সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে, ক্ৰিয়েটিভ উত্তৰাখণ্ড নামৰ এটা সংস্থাই প্ৰতি বছৰে গড়ৱাল অঞ্চলত ‘কিতাব কৌতুক’ নামৰ জনপ্ৰিয় গ্ৰন্থমেলাৰ আয়োজন কৰি আহিছে। ধৰ্মনিৰপেক্ষ মতাদৰ্শৰ বিভিন্ন গ্ৰন্থ বিক্ৰী কৰাৰ উপৰিও গান্ধী আৰু নেহৰুৰ জীৱন দৰ্শনৰ গ্ৰন্থও তাত উপলব্ধ হয়। এই মেলা প্ৰথমে এইচ এন বি গড়ৱাল বিশ্ববিদ্যালয়ৰ চৌহদত আয়োজন কৰা হৈছিল। উদ্যোক্তাসকলে দাবী কৰিছে যে এইবাৰৰ গ্ৰন্থ মেলাখন চৰকাৰী বালিকা আন্তঃ মহাবিদ্যালয়ত জানুৱাৰী মাহত অনুষ্ঠিত হোৱাৰ কথা আছিল আৰু ইয়াৰ বাবে অনুমতি লোৱা হৈছিল। কিন্তু পিছত আয়োজকসকলক ফেব্ৰুৱাৰীলৈ অপেক্ষা কৰিবলৈ কোৱা হয়। তাৰ পিছত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই হঠাতে মেলাৰ অনুমতি বাতিল কৰে। বিশ্ববিদ্যালয়খনে কয় যে আগন্তুক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কেম্পাছত গ্ৰন্থমেলা নিবিচাৰে। অৱশ্যে আয়োজকসকলৰ মতে এবিভিপিৰ আপত্তিৰ বাবেই এই সিদ্ধান্ত লোৱা হৈছে। সংঘৰ ছাত্ৰ সংগঠনে গান্ধী-নেহৰুৰ কোনো কিতাপ বিক্ৰী কৰিব নোৱাৰিব বুলি আয়োজকসকলক স্পষ্টকৈ অৱগত কৰে। এই আপত্তিৰ বাবেই বিশ্ববিদ্যালয়ে মেলাৰ অনুমতি প্ৰত্যাহাৰ কৰা বুলি দাবী কৰে। অৱশ্যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই অভিযোগ খাৰিজ কৰিছে। ইফালে আয়োজকসকলে বিশ্ববিদ্যালয়ৰ বাহিৰৰ আন ঠাইত গ্ৰন্থমেলাখন অনুষ্ঠিত কৰাৰ চেষ্টা চলাইছিল যদিও ক'তো অনুমতি ল'ব পৰা নাছিল। প্ৰশাসনে কোনো ক্ষেত্ৰ ব্যৱহাৰৰ অনুমতি নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। ফলত ধৰ্মনিৰপেক্ষ গ্ৰন্থমেলাক কেন্দ্ৰ কৰি নতুন নতুন বিতৰ্কৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে। এই লৈ সমগ্ৰ দেশতে প্ৰতিক্ৰিয়া দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পদপিষ্ট হৈ দিল্লী ষ্টেচনত১৮জনকৈ

মৃত্যু হৈছে। আহত হৈছে বহুসংখ্যক লোক। প্ৰাথমিক তথ্য মতে, শনিবাৰে নিশা প্ৰায় ১১ বজাত হেঁচা-ঠেলাৰ মাজত চাৰিগৰাকী মহিলা অচেতন হৈ পৰে। তেওঁলোকক উদ্ধাৰ কৰি ওচৰৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। সংবাদ সংস্থা এএনআইৰ মতে, পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হয়। কিছু সময়ৰ পিছত হতাহতৰ সংখ্যা জানিব পৰা যায়। প্ৰথমে ১৫ জনৰ মৃত্যুৰ খবৰ আহিছিল যদিও পিছলৈ দিল্লী পুলিচে ১৮ জনৰ মৃত্যু নিশ্চিত কৰে। ৰেলৰে সূত্ৰই জনোৱা মতে, শনিবাৰে নিশা নতুন দিল্লী ষ্টেচনৰ ১৩ আৰু ১৪ নং প্লেটফৰ্মত কুম্ভমেলালৈ যোৱা তীৰ্থযাত্ৰীৰ ভিৰ জমা হৈছিল। উক্ত প্লেটফৰ্ম দুটাত ৰে'ল পলমকৈ অহাৰ বাবে যাত্ৰীসকলৰ মাজত অসন্তোষ বৃদ্ধি পাইছিল। কেইবাজনো যাত্ৰীয়ে ৰেল দুখন বাতিল হোৱা বুলি উৰাবাতৰি বিয়পায়। উৰাবাতৰিৰ ফলত ভিৰৰ মাজত লৰাঢপৰা লাগে আৰু পদপিষ্টৰ ঘটনা সংঘটিত হয়। প্ৰথম অৱস্থাত ৰেলৰে প্ৰশাসনে এয়া অস্বীকাৰ কৰিছিল যদিও বহু ভিডিঅ' আৰু ফটো ভাইৰেল হৈ পৰাত সেয়া স্বীকাৰ কৰিবলৈ বাধ্য হৈ পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘটনাটোক লৈ দুখ প্ৰকাশ কৰিছে। তেওঁ টুইট কৰি কয়, “পদপিষ্টৰ ঘটনাত জীৱন হেৰুওৱা পৰিয়ালবৰ্গলৈ মোৰ সমবেদনা। আহতসকলৰ শীঘ্ৰে আৰোগ্য কামনা কৰিলো। প্ৰশাসনে ক্ষতিগ্ৰস্তসকলক সহায়ৰ ব্যৱস্থা কৰিছে।” ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱেও শোক প্ৰকাশ কৰি উচ্চপৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়ে। দিল্লীৰ লেফটেনেণ্ট গৱৰ্ণৰে এক্স-ত লিখে, “ষ্টেচনৰ ঘটনাত নিহত আৰু আহতৰ পৰিয়াললৈ সমবেদনা। মুখ্য সচিব আৰু পুলিচ কমিচনাৰক দ্ৰুত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হৈছে।” উত্তৰ ৰেলৱেৰ মুখ্য জনসংযোগ বিষয়াই এএনআইক কয়, “নতুন দিল্লী ষ্টেচনত কোনো পদপিষ্টৰ ঘটনা হোৱা নাই। গুজবৰ ফলতহে এনে অৱস্থাৰ সৃষ্টি হৈছে।” তেওঁ কয় যে প্ৰয়াগৰাজলৈ দুখন বিশেষ ট্ৰেন চলোৱা হৈছে। ৰেল মন্ত্ৰণালয়ে জনায় যে ৰেল পুলিচ আৰু দিল্লী পুলিচে ষ্টেচনত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিছে। আহতসকলক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। ৰেল আৰক্ষীৰ ডি.চি.পিয়ে কয়, “প্ৰয়াগৰাজ এক্সপ্ৰেছ ১৪ নং প্লেটফৰ্মত ৰৈ আছিল। সেই সময়ত ষ্টেচনত বহুত ভিৰ আছিল। স্বতন্ত্ৰ সেনানী এক্সপ্ৰেছ আৰু ভুৱনেশ্বৰ ৰাজধানী এক্সপ্ৰেছ পলমকৈ অহাৰ বাবে যাত্ৰীসকলে ১২, ১৩, ১৪ নং প্লেটফৰ্মত ভিৰ কৰিছিল। ১৫০০ সাধাৰণ টিকট বিক্ৰী হোৱাৰ বাবেও ভিৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়।” উল্লেখ্য যে নিহত হোৱা লোকসকলৰ অধিকাংশই কুম্ভমেলালৈ যাবলৈ আহিছিল বুলি অনুমান কৰা হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চন্দ্ৰমোহনৰ জাপানৰ সপোন আজিও

উদ্যোগ-বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে অসমৰ যুৱক-যুৱতীসকলক জাপানী ভাষা শিকিবলৈ কৈ জাপানী কোম্পানীবোৰত উন্নত চাকৰিৰ সুযোগ লাভ কৰিব আৰু ভৱিষ্যত সুৰক্ষিত হ'ব বুলি কয়। যদি জাপানী ভাষা শিকে তেন্তে উন্নত জীৱন যাপন কৰিব পাৰিব বুলি দাবী কৰিছিল পাটোৱাৰীয়ে। অসম চৰকাৰে জাপান বাহ্যিক বাণিজ্য সংস্থাৰ (জেত্ৰো) সৈতেও নগৰবেৰাত ১৫০ টা কোম্পানীৰ ঔদ্যোগিক কেন্দ্ৰ স্থাপনৰ কথাও উল্লেখ কৰিছিল পাটোৱাৰীয়ে। কিন্তু পাটোৱাৰীৰ ঘোষণা ৬ বছৰে ঘোষণা হৈয়ে থাকিল। অসমত জাপানী উদ্যোগ স্থাপন হ'ল আৰু অসমৰ কিমানগৰাকী যুৱক-যুৱতীক অসম চৰকাৰে জাপানত চাকৰি দিলে সেই কথা পৰ্বতত কাছ কণী বিছৰাৰ দৰে কথা। আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জাপানত ৫০ হাজাৰ অসমীয়াৰ নিযুক্তি দিয়াৰ কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰা মতে, জাপান আৰু ছিংগাপুৰৰ সৈতে দুখকৈ বুজাবুজি চুক্তি কৰা হ'ব। জাপানে অসমৰ পৰা 'মেন পাৱাৰ' নিব বিচাৰিছে। প্ৰথম অৱস্থাত জাপানত ৫০ হাজাৰ যুৱক-যুৱতীয়ে কাম কৰাৰ সুযোগ পাব। ছিংগাপুৰক নাৰ্চ লাগে। বৰ্তমান ১৭গৰাকীয়ে ছিংগাপুৰত কাম কৰি আছে। জাপানে অসমৰ সৈতে দুখন চুক্তি কৰিব বিচাৰিছে। ইয়াৰে এখন চুক্তি হ'ব তেওঁলোকৰ প্ৰৱক্তাই অসমৰ যুৱক-যুৱতীক প্ৰশিক্ষণ দিব। ৯ মাহৰ এটা বিশেষ প্ৰশিক্ষণ শিবিৰত যিসকলে প্ৰশিক্ষণ গ্ৰহণ কৰিব তেওঁলোকৰ প্ৰতিজনে অতি কমেও ৫০ হাজাৰ টকা দৰমহা লাভ কৰিব। প্ৰশিক্ষণ লৈ যদি কোনোৱাই জাপানলৈ যাব নিবিচাৰে তেন্তে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানত কাম কৰাৰ সুযোগ পাব। ৬ বছৰ পূৰ্বে চন্দ্ৰমোহৰ পাটোৱাৰীয়ে অসমৰ যুৱক-যুৱতীক জাপানত সংস্থাপন লাভৰ বাবে জাপানী ভাষা শিকিবলৈ আহ্বান জনাইছিল। জাপানৰ ১১৯টা উদ্যোগ স্থাপন হ'ব বুলি কৈছিল। তেতিয়া চন্দ্ৰ মোহন পাটোৱাৰীৰ যি ঘোষণা কৰিছিল সেই ঘোষণা, ঘোষণা হৈয়ে থাকিল। এডভান্টেজ অসাম ২.০ৰ বাবে ব্যাপক সক্ৰিয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এডভান্টেজ সন্মিলনক লৈ আজি গুৱাহাটীত সংবাদমেল সম্বোধন কৰে। ২৫ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত হ'লগীয়া এডভান্টেজ আসাম ২.০ৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি কয় মুখ্যমন্ত্ৰীয়ে ৰাজ্যত স্থানীয় শান্তি বিৰাজ কৰা বুলি দাবী কৰিছে। ৰাজ্যখনলৈ শান্তি ঘুৰি আহিছে আৰু ৩ বছৰৰ মূৰে মূৰে এনে সন্মিলন অনুষ্ঠিত কৰাৰ কথা দোহাৰে। অসমত যোৱা ৩ বছৰত শান্তি ঘূৰি আহিছে। যাৰ বাবে কোকৰাঝাৰত প্ৰথমবাৰ অসম বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। সংবাদমেলত এডভান্টেজ আসাম ০.১ৰ সফলতা দাঙি ধৰি কভিদৰ আগতে এডভান্টেজ অসম ১.০ অনুষ্ঠিত কৰিছিলো বুলি কৈ কয় যে এডভান্টেজ অসাম ১.০ৰ প্ৰথম সাফল্য নুমলীগড় ৰিফাইনেৰীৰ ক্ষমতা বৃদ্ধি, দ্বিতীয় সাফল্য নুমলীগড়লৈ ক্ৰুড অইলৰ পাইপ লাইন স্থাপন আৰু তৃতীয় গেছ পাইপ লাইন স্থাপন বুলি দাবী কৰে। মুখ্যমন্ত্ৰীয়ে সন্মিলনৰ বাবে এতিয়ালৈ ৭ হাজাৰ উদ্যোগী আৰু বিনিয়োগকাৰীয়ে পঞ্জীয়ন কৰিছে আৰু অসমৰ ক্ষুদ্ৰ উদ্যোগীৰ বাবে পৃথক ব্যৱস্থা কৰা হৈছে আৰু বিশেষ বুজাবুজি চুক্তি কৰিবলৈ পৃথক ব্যৱস্থা কৰা বুলিও কয়। প্ৰধানমন্ত্ৰী, বহু কেন্দ্ৰীয় মন্ত্ৰী, পুঁজিপতিয়ে অংশ ল'ব। ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আহিব অংশ ল'বলৈ। সৰুসজাইত অনুষ্ঠিত হ'বলগীয়া মেগা ঝুমুৰ নৃত্য উপভোগ কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে সন্মিলনত অংশ ল'ব। এডভান্টেজ অসাম ২.০ৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ। মুখ্যমন্ত্ৰীয়ে জাপন, ছিংগাপুৰত ৰোজ-শ্ব'ৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমেৰিকাত ৰোড শ্ব' কৰাৰ লক্ষ্য আছিল। কিন্তু কিছু কাৰণত সেয়া নহ'ল। মুখ্যমন্ত্ৰীয়ে লগতে এডভান্টেজ আসামৰ বাবে কিমান লোকক সাক্ষাৎ কৰি, কিমান বৈঠক কৰিলে তাৰ তথ্য প্ৰকাশ কৰিছে। ৬ জানুৱাৰীত ১১ খন চেম্বাৰ অফ কমাৰ্চৰ বৈঠক, ৭ জানুৱাৰীত ৩১ খন দেশৰ এম্বেচাডৰে বৈঠক, ৭ জানুৱাৰীত ৪০টা সক্ৰিয় গোটৰ উপস্থিতিত বৈঠকসহ দেশত ২০৯খন বৈঠক অনুষ্ঠিত হৈছে বুলি কয়। লগতে জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰত ৰোড শ্ব', জাপানী সংসদৰ অধ্যক্ষৰে নিশাৰ আহাৰ গ্ৰহণ কৰাৰ কতা উল্লেখ কৰে। এডভান্টেজ অসাম ২.০ত মুকেশ আম্বানী, গৌতম আদানী, টাটা গ্ৰুপৰ অধ্যক্ষসহ ৩১ দেশৰ ৰাষ্ট্ৰদূত উল্লেখ থাকিব বুলি কয় হিমন্তই।

# গড়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহৰ সামৰণি

**ই-সংবাদ, শিৱসাগৰ, ১৫ ফেব্ৰুৱাৰীঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ 'বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ'ৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানটি ১৫ ফেব্ৰুৱাৰী তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, লোকসংস্কৃতিৰ সাধক, বিশিষ্ট সাহিত্যিক ড° অনিল শইকীয়া আৰু পদ্মশ্ৰী সন্মানপ্ৰাপক বিশিষ্ট মুখাশিল্পী ৰেৱকান্ত মহন্ত। আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° সব্যসাচী মহন্তই জাতি-জনগোষ্ঠীৰ পৰিচয়ৰ স্বকীয়তা, কৃষ্টি-সংস্কৃতিৰ মৌলিকতা-বিশিষ্টতাৰ সংৰক্ষণ-সংমিশ্ৰণ-সমন্বয়-আত্মীয়কৰণ-একীকৰণৰ ভিত্তিত গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া জাতীয় সত্তাক জীয়াই ৰাখিবলৈ নতুন প্ৰজন্মক আহ্বান জনোৱাৰ লগতে  সামাজিক দায়বদ্ধতাৰে জীৱনত আগুৱাই যাবলৈ শিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগায়। অনুষ্ঠানটিত অসমৰ বিশিষ্ট লোককলা 'মুখাশিল্প'ৰ চৰ্চা, সৃষ্টি, সংৰক্ষণ, প্ৰশিক্ষণ, বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সত্ৰীয়া সংগীত-নৃত্য, অংকীয়া নাট-ভাওনা, খোল বাদন আদিৰ জীৱনজোৰা সাধনাৰে আগবঢ়োৱা অৱদানৰ বাবে শেহতীয়াকৈ ভাৰত চৰকাৰৰ দ্বাৰা 'পদ্মশ্ৰী' সন্মানেৰে সন্মানিত হোৱা শিৱসাগৰ জিলাৰ খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তক গড়গাঁও মহাবিদ্যালয় পৰিয়ালে বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটিৰ মুখ্য অতিথি বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সংস্কৃতিবিদ, লোকশিল্পী ড০ অনিল শইকীয়াই গীতে-কথাই ৰসপূৰ্ণ তথা মননশীল, মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়। তেখেতে কয় যে "মানৰ প্ৰগতিৰ মূল কাৰণ হৈছে প্ৰতিপলে কৰি থকা চিন্তাৰ বুকুত চিন্তাৰ উন্মেষ। প্ৰতিটো আৱিস্কাৰে এটি নতুন চিন্তাৰ বাট কাটি দিয়ে; সেই নতুন চিন্তাৰ উন্মেষৰ জৰিয়তে পৃথিৱী প্ৰগতিৰ পথত আগবাঢ়িছে।" তেওঁ শিক্ষাৰ্থীসকলক মন-মগজু-হস্ত বিদ্যা-স্বাস্থ্য আদিৰ সম বিকাশত গুৰুত্ব দিয়াৰ লগতে সৃজনীমূলক তথা উদ্ভাৱনীমূলক চিন্তাৰে, মানৱীয় সম্বন্ধৰ প্ৰতি সন্মান জ্ঞাপন কৰি মনেৰে ধুনীয়া হ'বলৈ আহ্বান জনায়। গড়গাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিমান চন্দ্ৰ বৰুৱা, শিক্ষক গোটৰ সভাপতি প্ৰণৱ দুৱৰা, ছাত্ৰ একতা সভাৰ উপদেষ্টা ড° দিলীপ কুমাৰ ডেকা, কৰ্মচাৰী পৰিষদৰ সভাপতি বিজু ফুকনৰ লগতে মহাবিদ্যালয়ৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ বিভিন্ন বিভাগৰ অধ্যাপক, শিক্ষাৰ্থী তথা কৰ্মচাৰী উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটিৰ আঁত ধৰে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল আৰু ছাত্ৰ একতা সভাৰ সভাপতি অনুৰাগ বড়াই। ক্ৰীড়া, সাহিত্য, সংস্কৃতি বিষয়ক বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা শিক্ষাৰ্থীসকলক মুকলি সভাত বঁটা প্ৰদান কৰাৰ পাছতে এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানক লৈ সকলোৱে সন্তুষ্টি ব্যক্ত কৰা দেখা গৈছে।

# কোনো ৰাজনৈতিক দলৰ বেনাৰত অনুষ্ঠিত কৰিব নোৱাৰিব আলি আঃয়ে লৃগাং

## মিচিং বানে কেবাঙৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত, দিলে সকিয়নী

**ই-সংবাদ, মাজুলী, ১৫ ফেব্ৰুৱাৰীঃ** কৃষিভিত্তিক উৎসৱ আলি আঃয়ে লৃগাং উৎসৱ কোনো ৰাজনৈতিক দলক উদযাপন নকৰিবলৈ আহ্বান জনাইছে মিচিং বানে কেবাঙে। আলি আঃয়ে লৃগাং হৈছে মিচিং জনগোষ্ঠীৰ মাংগলিক অনুষ্ঠান। এই আলি আঃয়ে লৃগাঙৰ স্বকীয় বৈশিষ্ট্যৰে পৰম্পৰাগত ৰীতি-নীতিক বৰ্তাই ৰখাৰ স্বাৰ্থতে মিচিং বানে কেবাঙে উক্ত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি আজি ৰাজহুৱা কৰে। টিএমপিকেৰ মাজুলী জিলা সমিতিৰ কাৰ্যালয় জেংৰাইমুখত আজি অনুষ্ঠিত হোৱা সংবাদমেলত এই সিদ্ধান্তৰ কথা প্ৰকাশ কৰি মিচিং বানে কেবাঙৰ উপ-সভাপতি ৰঞ্জিত দলে বিভিন্ন ৰাজনৈতিক দলৰ বেনাৰত আগন্তুক আলি আঃয়ে লৃগাং উদযাপন কৰিবলৈ লোৱা প্ৰসংগ উত্থাপন কৰি কয় যে কোনো ৰাজনৈতিক দলে এই উৎসৱ উদযাপন কৰিলে জাতিৰ সংস্কৃতিলৈ অস্তিত্বৰ ভাবুকি কঢ়িয়াই আনিব। সেই কাৰণে দলীয় বেনাৰৰ বেৰিকেটৰ পৰা ওলাই আহি ধৰ্মীয় ৰীতি-নীতি তথা পৰম্পৰা ৰক্ষা কৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ আৰু কয় যে আলি আঃয়ে লৃগাং মাত্ৰ পাঁচ দিনৰ ভিতৰত সম্পন্ন কৰিব লাগিব। ফাগুনৰ প্ৰথমটো বুধবাৰে অনুষ্ঠিত হ'ব আলি আঃয়ে লৃগাং। সেই দিনা পুৱা এডোখৰ ঠাইত সম্পূৰ্ণ নীতি-নিয়মৰ মাজত লৃগাঙৰ মাংগলিক কাৰ্য সম্পন্ন কৰিব। বুধবাৰৰ পৰা আৰম্ভ কৰি পাঁচদিনলৈ আলি আঃয়ে লৃগাং সমাপন কৰিব লাগিব। ইফালে, বুধবাৰৰ ৰাতিলৈ কোনো সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান অনুষ্ঠিত কৰিব নোৱাৰিব বুলি তেওঁ সদৰী কৰে। এম এম কে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰেমধৰ দলে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য উমা পাঠৰী, সাধাৰণ সদস্য নীলকান্ত দলে, নীলকান্ত দলে, মুকুল পেগু, ত্ৰৈলোক্য পামেগাম, মিচিং দৃৰবৃ কেবাং মাজুলী জিলা সমিতিৰ সম্পাদিকা ৰুবী কামান বৰা, টিএমপিকে মাজুলী জিলা সমিতিৰ সভাপতি পৱিত্ৰ পাতিৰ, সম্পাদক হেমন্ত মিলি, টি এম এম কেৰ মাজুলী জিলা সমিতিৰ সভাপতি অৰুণ গাম আদিকে ধৰি বিভিন্নগৰাকী নেতা-কৰ্মী উক্ত সংবাদমেলত উপস্থিত থাকে। এই সকিয়নীৰ এতিয়া কি প্ৰভাৱ পৰে সেয়া লক্ষণীয় হ'ব।

# জনপ্ৰিয় শিক্ষক ফখৰুউদ্দিন আহমেদৰ মৃত্যু

**ই-সংবাদ, শিৱসাগৰ, ১৫ ফেব্ৰুৱাৰীঃ** শিৱসাগৰৰ এগৰাকী আদৰ্শবান শিক্ষকৰ মৃত্যুত ম্ৰিয়মান হৈ পৰে এখন চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ চৌহদ। শিৱসাগৰ নগৰৰ সমীপৰ ধাইআলি দৰিকাঘাট প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক, সমাজকৰ্মী, ইউটিউবাৰ ফখৰুদ্দিন আহমেদ ওৰফে পাপু (৪৮)ৰ মৃত্যুৰ বতৰাই বিদ্যালয়খনৰ লগতে শিৱসাগৰ নগৰখনত গভীৰ শোঁকৰ ছা পৰে। কালি নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসায়ত শেষ নিঃশ্বাস ত্যাগ কৰা বাতৰি বিয়পি পৰাৰ লগে লগে শিক্ষক গৰাকীৰ ন-আলি- পিদিন নগৰৰ নিজা বাসগৃহত অগনন গুণমুগ্ধ উপস্থিত হোৱাত এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। আজি দিনৰ ভাগত বিদ্যালয়ৰ চৌহদলৈ শিক্ষক গৰাকীৰ নশ্বৰ দেহ অনাৰ পিছত ন- পুৰণি শিক্ষাৰ্থী, শিক্ষক সমাজ, পৰিচালনা সমিতি, মাতৃ গোট, অভিভাৱক, বিভিন্ন বিদ্যালয়ৰ শিক্ষক সমাজ তথা কেইবা শতাধিক শুভাকাংখী ৰাইজৰ কান্দোনৰ শব্দই পৰিৱেশটো অধিক ম্ৰিয়মান কৰি তোলে। শেষ বাৰৰ বাবে সকলোৱে শিক্ষকগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখৰ প্ৰয়োজন যে, শিৱসাগৰ কেন্দ্ৰীয় বজাৰৰ সন্মুখৰ ৮ নং ৱাৰ্ডত জন্মগ্ৰহণ কৰা ফখৰুদ্দিন আহমেদ ওৰফে পাপুৰ পিতৃ প্ৰয়াত পজিৰুদ্দিন আহমেদ আৰু মাতৃৰ নাম আছিল মেহৰুন নিচা। ১নং লৰা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত হাইস্কুল, শিৱসাগৰ কৰ্মাচ কলেজৰ পৰা উচ্চতৰ মাধ্যমিকৰ শিক্ষা সাং কৰি ১৯৯৬ চনত তেল আৰু প্ৰাকৃতিক গেচ নিগমৰ প্ৰাথমিক বিদ্যালয়ত চৰকাৰী শিক্ষকতা বৃত্তিত যোগদান কৰাৰ কিছু বছৰৰ পাছত বদলি হৈ ধাইআলি দৰিকাঘাট প্ৰাথমিক বিদ্যালয়ত মৃত্যু পৰ্যন্ত শিক্ষকতা কৰি আছিল। শিক্ষকতাৰ সমান্তৰালভাৱে পাপুয়ে বাঘ হাজৰিকা জাগৰণ মঞ্চ, মাদ্ৰাছাতুল বানাতৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ সেৱা আগবঢ়াইছিল। তেখেতে বহুকেইটা কবিতা, প্ৰবন্ধ পাতিও ৰচনা কৰি দিছিল প্ৰতিভাৰ উমান। ২৪ আসাম নামৰ এটি ডিজিটেল পেজ খুলি সকলোৰে সমাদাৰ বুটলা শিক্ষকগৰাকীয়ে আৰম্ভ কৰিছিল জনপ্ৰিয় ইউটিউব চেনেল অভিযান দ্যা মিচন নামৰ চেনেলটো। বৰ্তমানে ন-আলি পিদিন নগৰৰ স্থায়ী বাসিন্দা হোৱা শিক্ষক গৰাকী কালি পুৱা আকস্মিক ভাৱে অসুস্থ হৈ পৰিছিল । ততাতৈয়াকৈ ডিব্ৰুগড়লৈ চিকিৎসাৰ বাবে নিয়াৰ পিছত নিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয় শিক্ষক গৰাকীৰ। ভিডি'অ জাৰ্ণেলিষ্ট আৰবাজ আহমেদৰ পিতৃ আছিল ফখৰুদ্দিন আহমেদ ওৰফে পাপু। মৃত্যুৰ সময়ত পত্নী, সাংবাদিক আৰবাজ আহমেদসহ আন এজন পুত্ৰৰ লগতে এটি বৃহৎ পৰিয়ালক ইহসংসাৰত এৰি থৈ যায়। ইফালে আজি পুৱাৰ ভাগত শিক্ষকগৰাকীৰ বাসগৃহত শিৱসাগৰ ই-মেডিয়া সংস্থাৰ এটি সজাটি দল উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকি জেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডাই অমায়িক, নিৰ্জু, আদৰ্শৱান শিক্ষকগৰাকীৰ মৃত্যু সমাজৰ বাবে ডাঙৰ ক্ষতি বুলি উল্লেখ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পিছতেই বাঘ হাজৰিকা জাগৰণ মঞ্চ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ প্ৰতিনিধি উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত উপস্থিত থকা চামচুল বাৰিক, আচাদ উল্লাহ, আনচাৰউদ্দিন বৰাই শিক্ষকগৰাকীৰ স্মৃতি ৰোমন্থণ কৰি আবেগিক হৈ পৰা লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত খেলুৱা শিক্ষাখণ্ডৰ নগৰ মহল সমল কেন্দ্ৰ, নগৰ পশ্চিম-২ সমল কেন্দ্ৰৰ অন্তৰ্গত সকলো বিদ্যালয়, উজনি অসম থলুৱা মুছলিম পৰিষদ সভাপতি ফৰিদ ইছলাম হাজৰিকা, শিৱসাগৰ বাৰ্তাজীৱি সংঘ, আমগুৰি যুৱ জামাত, শিৱসাগৰ প্ৰেছ ক্লাব, উজনি অসম মুচলিম কল্যাণ পৰিষদ, নদী আৰু নাৰী, জাগৃত মহিলা সমাজ, অৰুণোদয় শাখা সাহিত্য সভা, হজৰত খন্দকাৰ দৰগাহ পৰিচালনা সমিতি, জেঙনীকটীয়া যুৱ সমাজ, কবৰস্থান কমিটি, পি দিন নগৰ মচজিদ জামাত, যুৱ সমাজ, ৰংঘৰ চাৰি আলি যুৱ সমাজ, ৰংপুৰ য়ুথ ষ্টাৰ ক্লাব, হাতীখোক ক্ৰীড়া সংস্থা, দৰিকাঘাট প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰাহিদা বেগম, ৪ নং ধাইআলি বালিকা প্ৰাথমিক বিদ্যালয়, ধাইআলি দৰিকাঘাট প্ৰাথমিক বিদ্যালয় , ৩৯৪ নং জেঙনিকটীয়া ল'ৰা প্ৰাথমিক বিদ্যালয় , ৫০২ নং জেঙনিকটীয়া ছোৱালী প্ৰাথমিক বিদ্যালয় , ৪০২ নং সাধনা প্ৰাথমিক বিদ্যালয়, অৰ্জুনগুৰি প্ৰাথমিক বিদ্যালয়, চি আৰ চি লক্ষী গোহাঁইকে ধৰি অগনন গুণমুগ্ধই শিক্ষক গৰাকীৰ মৃত্যুত গভীৰ সমবেদনা জ্ঞাপন কৰিছে। উল্লেখৰ প্ৰয়োজন যে, কভিদৰ সময়ত এইগৰাকী শিক্ষকে নিয়ম নীতিৰ মাজেৰে কম কম শিক্ষাৰ্থীক লৈ শিক্ষা প্ৰদান কৰাৰ লগতে সমল কেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহত ডিজিটেল প্ৰগেমত আগবঢ়োৱা অৱদান আছিল উল্লেখনীয়। আজি আবেলি অজস্ৰ গুনমুগ্ধৰ উপস্থিতিত শিৱসাগৰ দৰবাৰ ফিল্ড কবৰস্থানত জানাজা সম্পন্ন কৰা হয়।

# কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত অনিয়মৰ অভিযোগ, বিষয়া বিভূ ভূএঞাৰ বিৰুদ্ধে সৰৱ ৰাইজ

## সংবাদমেল পাতি শীঘ্ৰে উচ্চস্তৰীয় তদন্ত দাবী স্থানীয় সচেতন যুৱকৰ

**ই-সংবাদ, বৈঠালাংছ', ১৫ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ বিদ্যুৎ বিভাগৰ গুৱাহাটীস্থিত বিজুলি ভৱনৰ অসম শক্তি বিদ্যুৎ উৎপাদন কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালকৰ বিভূ ভূএঞাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বৈঠালাংছ' বিধানসভা সমষ্টিৰ অন্তৰ্গত একাংশ সচেতন যুৱক। পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ৰ নিকটৱৰ্তী আমট্ৰেঙত অৱস্থিত এশ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদনক্ষম কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ সমীপত আজি একাংশ যুৱক তথা সমাজ সচেতন ব্যক্তিয়ে এক সংবাদমেল অনুষ্ঠিত কৰে। উক্ত সংবাদমেলত প্ৰতিনিধিত্ব কৰা স্থানীয় উদীয়মান যুৱক ধনীৰাম টেৰনে বক্তব্য দাঙি ধৰি কয় যে অসম শক্তি বিদ্যুৎ উৎপাদন কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক বিভূ ভূএঞাই বিদ্যুৎ পৰিষদৰ বিভিন্ন কামৰ নিবিদাসমূহ নিজৰ খেয়াল-খুচিমতে বুকুৰ কুটুমত পৰিণত এজন নিৰ্দিষ্ট ঠিকাদাৰৰ পৰাই সংগ্ৰহ কৰি কাম আবণ্টন দি আহিছে। যাৰ ফলত অতি চেনেহৰ ঠিকাদাৰ দিগন্ত হাজৰিকা এতিয়া বিভাগটোৰ ভিতৰতে উঠি ৰজা বহি ৰজা হৈ পৰিছে। ইতিমধ্যে ঠিকাদাৰ দিগন্ত হাজৰিকাই পৰিষদৰ এম ডি বিভূ ভূএঞাৰ আশীৰ্বাদ পুষ্ট হৈ বিভাগটোৰ বহু কেইটা ঘৰৰ কাম লাভ কৰিছে। ফলত অসমৰ বহু ঠিকাদাৰক বঞ্চিত কৰা বুলি যুৱ প্ৰতিনিধি দলটোৱে অভিযোগ উত্থাপন কৰি উল্লেখ কৰে যে বিভাগটোৰ বিভিন্ন ঠাইত থকা পাৱাৰ প্লাণ্টৰ একাংশ যন্ত্ৰ বিকল হোৱা দেখুৱাই



সেইসমূহ মেৰামতিৰ নামত এক বৃহত ধনৰাশি আত্মসাৎ কৰাৰ ষড়যন্ত্ৰত লিপ্ত থকাৰ অভিযোগ সংবাদমেল যোগে উত্থাপন কৰিছে। যুৱ প্ৰতিনিধি দলটোৱে অভিযোগ কৰা অনুসৰি কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাৱাৰ গ্ৰীডত থকা পুৰণি ডি জি ছেটেটো বিকল নোহোৱাকৈয়ে এটা নতুন ডি জি ছেট স্থাপন কৰাৰ পিছত উক্ত ডি জি ছেটৰ জৰিয়তে পাৱাৰ ছাপ্লাই নোহোৱাত পাৱাৰ গ্ৰীডৰ ক্ৰেন চলোৱাত অসুবিধা হৈ পৰে। কিন্তু এম ডি বিভূ ভূএঞাই পুৰণি ডি জি ছেট লগাই উক্ত আঁসোৱাহ দূৰ কৰিবলৈ ঠিকাদাৰক আহ্বান কৰাৰ বিপৰীতে উক্ত ক্ৰেন বিকল হোৱা বুলি ক্ৰেনৰ মেৰামতিৰ নামত প্ৰায় ডেৰ কোটি টকা সৰকোৱাৰ আন এক ষড়যন্ত্ৰ কৰা বুলি যুৱ প্ৰতিনিধি দলটোৱে অভিযোগ কৰে। ইফালে, পৰিচালন সঞ্চালকগৰাকীয়ে কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ বিভিন্ন কামৰ নিবিদা আহ্বান কৰাৰ ক্ষেত্ৰত বৈঠালাংছ' সমষ্টিৰ স্থানীয় ঠিকাদাৰসকলক বঞ্চিত কৰি প্ৰতিপত্তিশালী ঠিকাদাৰ দিগন্ত হাজৰিকাকহে প্ৰদান কৰা বুলিও প্ৰতিনিধি দলটোৱে অভিযোগ তুলিছে। উল্লেখ্য যে শক্তি বিভাগৰ এম ডি বিভূ ভূএঞাৰ এনে বৃহৎ কেলেংকাৰী অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত বিভাগীয় ফালৰ পৰা এটা উচ্চস্তৰীয় তদন্ত কৰি উচিত ব্যৱস্থা লোৱাৰ লগতে বিশেষকৈ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনৰ দ্বাৰা আকস্মিক ভ্ৰমণৰ আহ্বান জনাইছে উক্ত যুৱ প্ৰতিনিধি দলটোৱে। তদুপৰি সম্প্ৰতি এমডি বিভূ ভূএঞাই নিজৰ চকী তথা চাকৰি সম্প্ৰসাৰণ কৰিবলৈ উঠি পৰি লগাৰ খবৰ পাই এনে দুৰ্নীতিগ্ৰস্ত বিষয়াগৰাকীৰ বিক্ৰী সম্প্ৰসাৰণ ৰদ কৰিবলৈ সংশ্লিষ্ট বিভাগীয় মন্ত্ৰী প্ৰশান্ত ফুকনক স্মাৰক পত্ৰ প্ৰদান কৰিছে। ইফালে, যুৱ প্ৰতিনিধি দলটোৱে উল্লিখিত অভিযোগসমূহ লিপিবদ্ধ কৰি বৈঠালাংছ'ৰ বিভিন্ন উদ্যমী যুৱক, সমাজ সচেতন ব্যক্তি তথা স্থানীয় ৰাইজ স্বাক্ষৰিত এখন স্মাৰক পত্ৰ বিভাগীয় মন্ত্ৰীগৰাকীলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে এই বাতৰি প্ৰকাশ হোৱাৰ পাছতে এপিডিচিএলৰ এম ডি বিভূ ভূএঞাই বিশেষ কৌশল ব্যৱহাৰ কৰি নিজকে দোষমুক্ত কৰিবলৈ ভিন্ন কাৰ্যসূচী লোৱাৰ আশংকা কৰি সংশ্লিষ্ট বিয়ষা-কৰ্মচাৰীক চোকা দৃষ্টি ৰাখিবলৈ প্ৰচাৰ মাধ্যমৰ জৰিয়তে আহ্বান জনাইছে উদ্যমী যুৱকসকলে।

# তালাপত চিমেণ্ট চুৰি কাণ্ডত ছাত্ৰ সংগঠনৰ নেতা জড়িত থকাৰ অভিযোগক লৈ তীব্ৰ চাঞ্চল্য

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৫ ফেব্ৰুৱাৰীঃ** এটা ছাত্ৰ সংগঠনৰ এগৰাকী তথাকথিত নেতা চিমেণ্ট চুৰিৰ কাণ্ডৰ সৈতে জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ অভিকেন্দ্ৰ তিনিচুকীয়া জিলাৰ তালাপৰ খোৱাং চাহ বাগিচা। অভিযোগ অনুসৰি, তালাপ নগৰৰ নিচেই কাষতেই লাগি থকা খোৱাং চাহ বাগিচাত নিৰ্মীয়মান অসম চৰকাৰৰ জগন্নাথ সেৱা কেন্দ্ৰৰ পৰা কালি নিশা প্ৰায় ১০ বেগ চিমেণ্ট এছ ২৩ বি চি ১৮১৯ নম্বৰৰ চোটা হাতী গাড়ীখনেৰে চুৰ কৰি নিয়াৰ ঘটনা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। ৰাইজে গাড়ীখন কৰায়ত্ত কৰে যদিও নিশা আন্ধাৰৰ সুযোগ লৈ গাড়ীখনৰ চালক আৰু হেণ্ডিমেন পলাই যাবলৈ সক্ষম হয়। ৰাইজে স্থানীয় তালাপ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ গাড়ীখন জব্দ কৰি তালাপ আৰক্ষী চকীলৈ লৈ যায়। উল্লেখ্য যে, জব্দকৃত গাড়ীখনৰ সমূহ নথি-পত্ৰৰ ম্যাদ ইতিমধ্যে উকলি গৈছে। ৰাইজে অভিযোগ কৰা



অনুসৰি, ঘটনাৰ সৈতে এটা ছাত্ৰ সংগঠনৰ এগৰাকী স্থানীয় তথাকথিত নেতাৰ ছত্ৰছায়াতেই উক্ত ঘটনাটো সংঘটিত হৈছে। উক্ত ছাত্ৰ নেতাগৰাকীয়ে এজন চুলাই মদৰ বেপাৰীৰ পৰাও ৩ হাজাৰ টকা ভয়-ভাবুকিৰে আদায় কৰা বুলিও ৰাইজে অভিযোগ কৰিছে। উল্লেখ্য যে, উক্ত ছাত্ৰনেতা গৰাকীৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেও বিভিন্ন অসামাজিক কাৰ্য্যত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। কেন্দ্ৰটো নিৰ্মাণৰ ঠিকা লাভ কৰা ঠিকাদাৰ গৰাকীয়ে হেঁচাত পৰি উক্ত চুৰি ঘটনাৰ সন্দৰ্ভত থানাত এজাহাৰ দিয়াৰ পৰা বিৰত থকাৰ সমান্তৰালকৈ গাড়ীখনৰ গৰাকীয়ে গাড়ীখনৰ সম্পূৰ্ণ নথি-পত্ৰৰ ম্যাদ উকলি যোৱাৰ ক্ষেত্ৰত নিয়ম অনুসৰি চৰকাৰক আদায় দিবলগীয়া নিৰ্দিষ্ট জৰিমনা আদায় দি গাড়ীখন আৰক্ষীৰ জিম্মাৰ পৰা মোকোলাই নিয়াৰ যো-জা চলাই থকাৰ বিষয়টোৱে ৰাইজক ভবাই তুলিছে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, বেবেজীয়া, ১৫ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ অগ্ৰণী শিক্ষানুষ্ঠান জলময়গাঁও চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীয়ে চাকৰি জীৱনৰ পৰা অৱসৰ লোৱা হেতুকে শনিবাৰে তেওঁক বিদায় সম্বৰ্ধনা জনোৱা হয়। সেই উপলক্ষে বিদ্যালয়ৰ সভাগৃহত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দীনমনি বৰদলৈৰ পৌৰোহিত্যত এখনি সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী টুনটুন ৰাজবংশীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনি বিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা এটি সমবেত সংগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ হিচাপ পৰীক্ষক মাধৱ বৰদলৈয়ে আঁত ধৰা সভাখনিত বিদ্যালয়ৰ তৰফৰ পৰা অঞ্জুৰাণী দেৱীক ফুলাম গামোছা, জাপি, শৰাই, চেলেং, ধৰ্মগ্ৰন্থ, সম্বৰ্ধনা পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত অসম ৰাজ্যিক বুনিয়াদী শিক্ষক সন্থাৰ উপ-সভাপতি নৰেশ্বৰ হাজৰিকা, কাছমাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক আলম হুছেইন, জ্যেষ্ঠ সাংবাদিক প্ৰাঞ্জল বৰদলৈ, কাছমাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি পংকজ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক মিহিৰাম ভূঞা, নগাঁও জিলা বুনিয়াদী শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক নেকিব আহমেদকে ধৰি কেইবাজনো ব্যক্তিয়ে বিদ্যালয়ৰ সুস্থিৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ লগতে স্থানীয় অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী অঞ্জুৰাণী দেৱীয়ে আগবঢ়োৱা অমূল্য অৱদানৰ বিষয়ে আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত নৃত্য-গীতেৰে মুখৰিত হৈ পৰা সভাখনিত অৱসৰী শিক্ষক ভাৰত শৰ্মা, প্ৰশান্ত শৰ্মা, ভোলা শইকীয়া, বয়োজ্যেষ্ঠ ব্যক্তি লম্বোদৰ ৰাজবংশী, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, গাঁও প্ৰধানদ্বয় শিৱ প্ৰসাদ ভূঞা আৰু বিষ্ণু বৰদলৈ, সমাজকৰ্মী হীৰেণ নাথ, বিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা বিষ্ণু বৰদলৈ, সমাজকৰ্মী পংকজ বৰদলৈ, উদ্যমী যুৱক দীগেন বৰদলৈ, বিদ্যালয়ৰ শিক্ষক নিতুল কলিতা, আব্দুল মতিন চৌধুৰী, শিক্ষয়িত্ৰী অৰ্চনা কাকতি, অংগনবাড়ী কৰ্মী গীতাঞ্জলী বৰদলৈকে প্ৰমুখ্য কৰি বিদ্যালয়ৰ মাতৃগোট, ছাত্ৰ-ছাত্ৰী, অভিভাৱকসহ অঞ্চলৰ দুই শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে, ১৯৯০ চনত জলময়গাঁও চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰা অঞ্জুৰাণী দেৱীয়ে ২০১১ চনত প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব লাভ কৰাৰ পৰৱৰ্তী পৰ্যায়ত যোৱা ৩১ জানুৱাৰীত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

## ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি শোকৰ বন্যা

# কলগাছিয়াৰ শৰিয়তপুৰ গাঁৱত সন্তানৰ মাতৃৰ চিপ লৈ আত্মহত্যা

**ই-সংবাদ, কলগাছিয়া, ১৫ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত শৰিয়াতপুৰ গাঁৱত এক সন্তানৰ মাতৃয়ে চিপ লৈ আত্মহত্যা কৰাক কেন্দ্ৰ কৰি অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। চিপ লৈ আত্মহত্যা কৰা মহিলাগৰাকী শৰিয়াতপুৰ গাঁৱৰ জাহিদুল ইছলামৰ ২৫ বছৰীয়া পত্নী ৰুজিনা আকতাৰ। জানিব পৰা মতে, স্বামী জাহিদুল ইছলামে যোৱা শুকুৰবাৰ দিনা অৰ্থাৎ ১৪ ফেব্ৰুৱাৰীত হঠাৎ কৰ্মসূত্ৰে গুৱাহাটীলৈ যায়। কিন্তু আজি ৰুজিনা আকতাৰে নিজ ঘৰতে চিপ লৈ আত্মহত্যা কৰে। ঘটনাস্থলীত বালিকুৰি আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখে যদিও আত্মহত্যাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। এই ঘটনাক কেন্দ্ৰ কৰি বৃহত্তৰ শৰিয়তপুৰ গাঁৱত এক শোকাকুল পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে। মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

# ৰঙিয়াত স্বেচ্ছাসেৱী সংস্থা 'অন্বেষা'ৰ উদ্যোগত 'কেলেণ্ডাৰ-২০২৫' উন্মোচন



**ই-সংবাদ, ৰঙিয়া, ১৫ ফেব্ৰুৱাৰীঃ** স্বেচ্ছাসেৱী সংস্থা অন্বেষাৰ উদ্যোগত ৰঙিয়াৰ শিক্ষা-সাহিত্য-ৰাজনীতি তথা সমাজ জীৱনলৈ অনবদ্য আগবঢ়াই যোৱা ১২ গৰাকীকৈ পুৰোধা ব্যক্তিৰ বৰ্ণিল কৰ্মজীৱনৰ তথ্য সমৃদ্ধ বিশেষ কেলেণ্ডাৰ এখনৰ আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ৰঙিয়া নগৰস্থিত ডেন্টি কিউৰ প্লাছ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি কেলেণ্ডাৰখনৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে সেনা বাহিনীৰ ৰেড হৰ্ণ ডিভিজনৰ লেফটেনেণ্ট কৰ্ণেল প্ৰসুন গোস্বামীয়ে। উন্মোচনী ভাষণত সেনা বিষয়া গোস্বামীয়ে স্বেচ্ছাসেৱী সংস্থা অন্বেষাৰ উদ্যোগৰ শলাগ লৈ কয় যে কৰ্মৰে মানুহে অমৰত্ব লাভ কৰে। সমাজ জীৱনলৈ অনবদ্য বৰঙণি যোগাই যোৱা প্ৰতিগৰাকী লোক আমাৰ চিৰনমস্য। শিক্ষা-সাহিত্য তথা ৰাজনৈতিক ক্ষেত্ৰত বিভিন্নজনে সেৱা আগবঢ়াই সমাজৰ উন্নয়ন কৰি আহিছে বুলি উন্মোচকগৰাকীয়ে উল্লেখ কৰি লগতে কয় যে সমাজসেৱক এজনৰ কৰ্মজীৱন ঐতিহাসিক দলিলৰ সমতুল্য। ৰঙিয়াৰ সমাজ জীৱনৰ অন্যতম কাণ্ডাৰী  কামিনী মোহন শৰ্মা, শান্তিৰাম লহকৰকে ধৰি ১২ গৰাকীকৈ লোকৰ তথ্য সমৃদ্ধ বিশেষ কেলেণ্ডাৰখনে নৱপ্ৰজন্মকো উদ্বুদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰি গোস্বামীয়ে লগতে কয় যে কৰ্মসূত্ৰে দেশৰ বিভিন্ন স্থানত সময় অতিবাহিত কৰি আহিছো যদিও ৰঙিয়াবাসীৰ চিন্তা চৰ্চা তথা কৰ্মস্পৃহা স্বাভাৱিকতে পৃথক বুলিও মন্তব্য আগবঢ়ায়। কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি তথা কেলেণ্ডাৰখনৰ সম্পাদক প্ৰকাশ ডেকা আৰু ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ৰাণু চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সমাজসেৱী পবিত্ৰ কলিতাই বেচৰকাৰী সংস্থা অন্বেষাৰ সভাপতি ডাঃ খবিৰুদ্দিন আহমেদ প্ৰমুখ্যে কৰ্মকৰ্তাসকলৰ প্ৰয়াস অতুলনীয় বুলি অভিহিত কৰে। ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপিকা তথা অন্বেষাৰ বিষয়ববীয়া পৰিস্মিতা শৰ্মাৰ শলাগৰ শৰাইৰে সামৰণি ঘটা অনুষ্ঠানটোত চিকিৎসক ডাঃ মেঘনা গোস্বামী, লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা গৌৰীপ্ৰভা মহন্ত, কবি উজ্জ্বল ডেকা, ৰূপহী ৰঙিয়াৰ সভাপতি অৰূপ দাসকে ধৰি আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# মৰিগাঁৱত মন্দিৰত চোৰ নিলে নগদ ধন

**ই-সংবাদ, মৰিগাঁও, ১৫ ফেব্ৰুৱাৰীঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী বৰঙাবাৰীত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়।বৰঙাবাৰীৰ ঐতিহ্যমণ্ডিত সাৰ্বজনীন শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰত নিশা চোৰ সোমাই মন্দিৰৰ দানপাত্ৰ ভাঙি প্ৰণামীৰ সমুদায় ধন লুটি নিয়াৰ লগতে থাপনাৰ পবিত্ৰ ভাগৱত গ্ৰন্থখন দলিয়াই পেলাই থৈ যায়। এই ঘটনাক কেন্দ্ৰ কৰি বৃহত্তৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য মতে, চোৰে মন্দিৰৰ গ্ৰীলৰ তলা ভাঙি মন্দিৰটোত প্ৰৱেশ কৰিছিল। স্থানীয় ৰাইজে মন্দিৰত সংঘটিত হোৱা চুৰিকাণ্ডৰ বাবে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে দোষীক শীঘ্ৰে বিচাৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়। উল্লেখ্য যে বিগত প্ৰায় এটা মাহ ধৰি মৰিগাঁও চহৰৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ বহু মানুহৰ ঘৰৰ লগতে গোঁসাই ঘৰ আৰু মণিকূটত চুৰিকাণ্ড সংঘটিত কৰি এটা চোৰ চক্ৰই ভীষণ আতংকৰ সৃষ্টি কৰি আহিছে। এই চুৰিকাণ্ডৰ সৈতে জড়িত এজনকো বৰ্তমানলৈ কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

# বৰিমাখা উঃ মাঃ বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত সাংবাদিকক অভব্য আচৰণ অধ্যক্ষৰ

**ই সংবাদ, মুছলপুৰ, ১৫ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ বৰিমাখা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত বিদ্যালয়খনৰ অধ্যক্ষগৰাকীয়ে এগৰাকী সাংবাদিকক অভব্য আচৰণ কৰাক লৈ জিলাখনৰ সচেতন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজিৰে পৰা আৰম্ভ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বৰিমাখা কেন্দ্ৰত বিদ্যালয়খনৰ অধ্যক্ষ কেমচাদ বসুমতাৰীয়ে অসমীয়া প্ৰতিদিন কাকতৰ স্থানীয় সংবাদদাতা তথা বাক্সা জিলা সাংবাদিক সন্থাৰ সভাপতি মনোহৰ ৰাজবংশীক অভব্য আচৰণ কৰে। জানিব পৰা মতে সাংবাদিক মনোহৰ ৰাজবংশীয়ে নিজৰ পৰীক্ষাৰ্থী ভাগিনীয়েকৰ খবৰ ল'বলৈ পৰীক্ষা কেন্দ্ৰৰ বাহিৰত উপস্থিত হৈছিল। সেই সময়তে পৰীক্ষা কেন্দ্ৰৰ নিৰাপত্তাৰ দায়িত্বত থকা বৰবৰী আৰক্ষী থানাৰ এ এছ আই কৃষ্ণ হালৈয়ে সাংবাদিক মনোহৰ ৰাজবংশীক পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ মাতে। এ এছ আই কৃষ্ণ হালৈৰ আহ্বানত সাংবাদিক গৰাকী পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰে। কিন্তু সেই সময়তে বিদ্যালয়খনৰ অধ্যক্ষ তথা কেন্দ্ৰটোৰ পৰিচালক কেমচাদ বসুমতাৰীয়ে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ উপস্থিতিতে সাংবাদিক মনোহৰ ৰাজবংশীক অপদস্ত কৰে। কেমচাদ বসুমতাৰীয়ে আপোনাক ইয়াত সোমাবলৈ কোনে অনুমতি দিছে, সাংবাদিকৰ এলাও নাই, আপুনি ওলাই যাওক ইত্যাদি কথাৰে অপদস্ত কৰে। সাংবাদিক মনোহৰ ৰাজবংশীয়ে নিৰাপত্তাৰ দায়িত্বত থকা এ এছ আই গৰাকীয়েহে তেওঁক ভিতৰলৈ মাতিছে বুলি কোৱাৰ পাচতো ঠেলি বাহিৰ কৰি দিবলৈ চেষ্টা কৰে। ইতিমধ্যে এই ঘটনা প্ৰচাৰ হোৱাৰ পিছতে সাংবাদিক তথা সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাক্সা জিলা সাংবাদিক সন্থাই অধ্যক্ষগৰাকীৰ আচৰণক তীব্ৰ ভাষাৰে গৰিহণা দি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। লগতে এইগৰাকী অধ্যক্ষৰ বিৰুদ্ধে জিলা আয়ুক্ত আৰু বিদ্যালয় সমূহৰ পৰিদৰ্শকক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে এইগৰাকী দাম্ভিক, অহংকাৰী, আত্মকেন্দ্ৰিক ব্যক্তি বৰিমাখা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হোৱাৰ পিছতে বিদ্যালয়খনৰ সহকৰ্মীসকলৰ সৈতেও কোনো সদ্ভাৱ নাই। অধ্যক্ষৰ আসন পাই নিজকে নিজৰ মতে পৰিচালনা কৰিব বিচৰা এইগৰাকী অধ্যক্ষৰ বিৰুদ্ধে আছে বহু অভিযোগ। আনকি অধ্যক্ষগৰাকীয়ে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক পাঠদান নকৰাৰো অভিযোগ আছে। যাৰ বাবে কেবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে আন বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে।

# ভূৰাগাঁৱত ড্ৰাগছসহ এক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ১৫ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আৰক্ষীয়ে আজি অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় এক ড্ৰাগছ সৰবৰাহকাৰীক। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু ভূৰাগাঁও আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই গ্ৰেপ্তাৰ কৰে ড্ৰাগছ সৰবৰাহকাৰীজনক। ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ১নং বটালিমাৰি গাঁৱত অভিযান চলাই ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে সৰবৰাহকাৰীটোক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ নাম মহিবুৰ ৰহমান। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা ড্ৰাগছ ভৰ্তি ১৫ টা কন্টেইনাৰ জব্দ কৰে আৰক্ষীয়ে। জব্দ কৰা ড্ৰাগছখিনিৰ ওজন প্ৰায় ১৪ গ্ৰাম। ভূৰাগাও আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ বিৰুদ্ধে এটি গোচৰ পঞ্জীয়ন কৰি মৰিগাঁও জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ধৃত লোকজনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহৰ লগত জড়িত হৈ থকাৰ অভিযোগ উত্থাপিত হৈ আছিল।

# মাজুলীত শান্তিপূৰ্ণভাৱে সম্পন্ন প্ৰথমদিনাৰ মেট্ৰিক পৰীক্ষা

**ই-সংবাদ, মাজুলী, ১৫ ফেব্ৰুৱাৰীঃ** আজিৰে পৰা অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ আজি প্ৰথম দিনা মাজুলীতো পৰীক্ষা শান্তিপূৰ্ণ ভাৱে সম্পন্ন হয়। মাজুলীৰ মুঠ ১৩ টা পৰীক্ষা কেন্দ্ৰত তেৰজন বহিঃ মূল্যায়কৰ নিযুক্তিৰে, কেইবাটাও গ্ৰুপত বিভক্ত কৰি ফ্লায়িং স্কুৱাৰ্ডৰ ব্যৱস্থা কৰি এইবাৰৰ পৰীক্ষা কটকটীয়া নীতি নিয়মেৰে অনুষ্ঠিত হয়। মাজুলীতো পৰীক্ষাকেন্দ্ৰ সমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষা কেন্দ্ৰ সমূহত চি চি টিভি কেমেৰা সংযোজন কৰা হৈছে। মাজুলীত এইবাৰ মুঠ ৩,৩১৬ পৰীক্ষাৰ্থীৰ ভিতৰত ৩২৩১ গৰাকী পৰীক্ষাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। ৮৫ গৰাকী পৰীক্ষাৰ্থী আজি পৰীক্ষাত অনুপস্থিত থাকে। উল্লেখ্য যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে প্ৰথমবাৰৰ বাবে পৰিচালনা কৰা এই পৰীক্ষাত ৪ লাখৰো অধিক শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। ৰাজ্যৰ মুঠ ৯৪৪ টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হৈছে। অৱতীৰ্ণ ৪,২৯,৪৪৮ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ১,৯০,৬৫৩ জন ছাত্ৰ আৰু ২,৩৮,৭৯৫ গৰাকী ছাত্ৰী। বিগত বৰ্ষতকৈ এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৭২০ গৰাকী পৰীক্ষাৰ্থী বৃদ্ধি পাইছে বুলি জানিব পৰা গৈছে।

# ৰাজহ বিভাগৰ নীতি-নিয়ম উলংঘাৰে মৰিয়নিত কৃষিভূমিত মাটিৰ অবৈধ খনন

**ই-সংবাদ, মৰিয়নি, ১৫ ফেব্ৰুৱাৰীঃ** ৰাজহ বিভাগ আৰু বন বিভাগৰ নীতি-নিয়ম উলংঘা কৰি মৰিয়নিৰ কৃষিভূমিত চলিছে মাটিৰ অবৈধ খনন। মৰিয়নি ৰাজহ চক্ৰ কাৰ্যালয়ৰ অন্তৰ্গত চিনাতলি গ্ৰাণ্টৰ কৃষিভূমিত ব্যাপক হাৰত চলিছে মাটিৰ অবৈধ খনন। ৰাজহ বিভাগৰ নিয়ম উলংঘাৰে চিনাতলি গ্ৰাণ্টৰ কৃষিভূমিত জেচিবিৰে মাটি খনন কৰি অহাৰ ফলত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁত। ইটা নিৰ্মাণ কৰিবলৈ চিনাতলি হোলোংগুৰি আৰু দিহিঙীয়াপাৰ গাঁৱৰ কৃষিভূমিত জেচিবিৰে মাটি খন্দাৰ ফলত ১৫-২০ ফুট দ' বৃহৎ বৃহৎ অসংখ্য পুখুৰীৰ সৃষ্টি হৈছে। মুকলি কৃষিভূমিত মাটি খন্দাৰ ফলত সৃষ্টি হোৱা এই পুখুৰী সদৃশ গাঁত এতিয়া বন্যহস্তী আৰু মানুহৰ বাবে মৰণ ফান্দ হৈ পৰিছে। পথাৰৰ মাজত থকা এনে ধৰণৰ দ' গাঁতৰ বাবে বিগত সময়ত কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছে। কুম্ভকৰ্ণৰ নিদ্ৰাত থকা মৰিয়নি ৰাজহ বিভাগ আৰু বন বিভাগক এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহনৰ দাবী জনাইছে।

## জ্বলি ছাই হ'ল বহু বিঘা মাটিৰ তামোল আৰু কলগছ

# ওদালগুৰিত কৃষকৰ বাগিচাত দুৰ্বৃত্তৰ অগ্নিসংযোগ

**ই-সংবাদ, ওদালগুৰি, ১৫ ফেব্ৰুৱাৰীঃ** ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড আৰক্ষী চকী অন্তৰ্গত ১ নং বান্দৰগুৰি গাঁৱৰ এগৰাকী কৃষকৰ বাগিচাত কোনো অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰি বিস্তৰ ক্ষতিসাধন কৰা ঘটনা সন্দৰ্ভত আজি গাঁওখনত কেবাটাও জাতীয় সংগঠন আৰু স্থানীয় ৰাইজৰ আহ্বানত তথা আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী, কৃষি বিভাগ আৰু স্থানীয় এন জি অ'ৰ বিষয়ববীয়াৰ উপস্থিতিত এখনি বিশাল জনজাগৰণ সভা অনুষ্ঠিত হয়। সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম গোৰ্খা সন্মিলন, নেপালী সাহিত্য সভাৰ বান্দগুৰি আঞ্চলিক আৰু শাখা সমিতি, বান্দৰগুৰিৰ ৰাধাকৃষ্ণ মন্দিৰ পৰিচালনা সমিতি, শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সংযুক্ত আহ্বানত তথা সাহিত্যিক-সাংবাদিক ৰাম উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত জনজাগৰণ সভাত যোৱা ৫ ফেব্ৰুৱাৰীত বান্দৰগুৰি গাঁৱৰ কৃষক, ব্যৱসায়ী ধনপতি ঢকালৰ ১৪ বিঘা তামোল বাগিচা আৰু মালভোগ কল খেতিত অজ্ঞাত দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰি বিস্তৰ ক্ষতিসাধন কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি এক গৰিহণা প্ৰস্তাৱ গ্ৰহণৰ লগতে ভুক্তভোগী কৃষক ধনপতি ঢকালক স্থানীয় গাঁওবাসী ৰাইজে নিজ নিজ সামৰ্থ অনুসৰি অৰ্থ সাহায্য, তামোলৰ পুলি আৰু শ্ৰমদানেৰে সহায় কৰি ক্ষতিগ্ৰস্ত তামোল বাগিচাখনি পুনৰ গঢ়ি তোলাত সহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি বৃহত্তৰ বান্দৰগুৰি অঞ্চলত সংঘটিত হোৱা যিকোনো প্ৰকাৰৰ অপৰাধজনিত ঘটনা প্ৰতিৰোধৰ বাবে ৰাইজ সষ্টম হৈ থকা আৰু দুষ্কৃতিকাৰীক চিনাক্ত কৰিবৰ বাবে ঠায়ে ঠায়ে পহৰাৰ ব্যৱস্থা কৰা আৰু কোনো লোকে জ্ঞাত বা অজ্ঞাতভাৱে কোনো কৃষি সম্পত্তি নষ্ট বা ধ্বংস কৰিলে তাৰ সম্পূৰ্ণ ক্ষতিপূৰণ সেই ব্যক্তিজনৰ পৰা জৰিমনা হিচাপে আদায় লৈ ভুক্তভোগী কৃষকক প্ৰদান কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰে। সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ, ওদালগুৰি জিলা সমিতি সাংগঠনিক সম্পাদক পৱন খনালে আঁত ধৰা সভাত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ, ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি ৰাম ছেত্ৰী গৌতম, অসম গোৰ্খা সন্মিলনৰ ওদালগুৰি জিলা সমিতিৰ কাৰ্যকাৰী সভাপতি কমল চুব্বা, উপসভাপতি মেঘৰাজ ৰেগ্মী, অসম নেপালী সাহিত্য সভা ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সম্পাদক দ্বীপেন্দ্ৰ সাপকোটা, বান্দৰগুৰিৰ শ্ৰীশ্ৰী ৰাধাকৃষ্ণ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কৰ্ণ ছেত্ৰী নেউপানে, সাধাৰণ সম্পাদক ৰেৱতী দাহাল, শ্ৰীশ্ৰী শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মেঘৰাজ ৰেগ্মী, সাধাৰণ সম্পাদক খেম শিৱাকোটী, ভৈৰৱকুণ্ড আৰক্ষী চকীৰ উপ পৰিদৰ্শক প্ৰশান্ত গগৈ, ওদালগুৰি অগ্ননিৰ্বাপক বাহিনীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃণাল দাস, ওদালগুৰি জিলা কৃষি বিষয়া কাৰ্যালয়ৰ এডিঅ কৰবী দাস, আৰডিএছ এন জি অ'ৰ সভাপতি মিলন দাস, অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী ভগীৰথ উপাধ্যায়, ৰাজ বাহাদুৰ বস্নেত, হেমৰাজ প্ৰধান, স্থানীয় গাঁওবুঢ়া পুষ্পধৰ থাপা আদি কেবাগৰাকী লোকৰ লগতে অঞ্চলটোৰ শতাধিক লোক উপস্থিতিত থাকে। ইয়াৰপূৰ্বে উপস্থিত লোকসকলে দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰা তামোল আৰু কল বাগিচা পৰিদৰ্শন কৰি ভুক্তভোগী কৃষক ধনপতি ঢকালক সান্ত্বনা প্ৰদানৰ লগতে নিজ নিজ সামৰ্থ অনুসৰি সহায় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# তেলিয়াগাঁৱত পথ দুৰ্ঘটনাত নিহত ১

**ই-সংবাদ, পুৰণিগুদাম, ১৫ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা দুখন ট্ৰাকৰ মাজত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন ট্ৰাক চালক থিতাতে নিহত হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত উজনি অভিমুখী এ এছ-০২ চি চি-৪৭৯২ নম্বৰৰ ট্ৰাকখনৰ যান্ত্ৰিক বিজুতি ঘটি ৰাষ্ট্ৰীয় ঘাইপথত ৰৈ থকা অৱস্থাত একে দিশৰ পৰা নিশা প্ৰায় ১০.৩০ মান বজাত অহা এ এছ-০১ এন জি- ০৭৮৭ নম্বৰৰ ট্ৰাকখনে পিছফালৰ পৰা খুন্দা মাৰে। ফলত কামৰূপ গ্ৰাম্যৰ গৰৈমাৰি আৰক্ষী থানাৰ অন্তৰ্গত আলিকাছ গাঁৱৰ কুদ্দুছ আলিৰ পুত্ৰ ছহিদুল ইছলাম(২২) নামৰ চালকজন থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ উক্ত গাড়ী দুখন জব্দ কৰাৰ লগতে পথ দুৰ্ঘটনাত নিহত হোৱা লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# চেলেংহাটত সন্ধানহীন এজন যুৱক

**ই-সংবাদ, মৰিয়নি, ১৫ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ মৰিয়নিৰ চেলেংহাট টেঙাবাৰী গাঁৱৰ এজন যুৱক সন্ধানহীন হৈ আছে। জানিব পৰা মতে, চেলেংহাট টেঙাবাৰী গাঁৱৰ ৰাজ কিশোৰ গগৈ ওৰফে লুলু(৩৭) নামৰ যুৱকজন যোৱা শুকুৰবাৰে ঘৰৰ পৰা ওলাই গৈছিল। তাৰ পাছৰে পৰা যুৱকজন সন্ধানহীন হৈ আছে। যুৱকজন দীৰ্ঘদিন ধৰি মানসিক অস্থিৰতাত ভুগি থকা বুলি জানিব পৰা গৈছে। কোনো লোকে যুৱকজনৰ সন্ধান পালে 9395299947 ম'বাইল নম্বৰ বা স্থানীয় আৰক্ষীক অৱগত কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।





## কামৰূপ জিলাত ১০০ দিনীয়া বিস্তৃত যক্ষ্মা দূৰীকৰণ অভিযানৰ সফল ৰূপায়ণ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৫ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো ১০০ দিনীয়া বিস্তৃত যক্ষ্মা দূৰীকৰণ অভিযান সফলভাৱে ৰূপায়ণ কৰি থকা হৈছে। অসমত যোৱা ৭ ডিচেম্বৰত কেন্দ্ৰীয়ভাৱে গুৱাহাটীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই উক্ত অভিযানৰ শুভ উদ্বোধন কৰিছিল। কামৰূপ জিলাতো একেদিনাই আজাৰৰ ধাৰাপুৰত এক সভাঘৰত এই অভিযানৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছিল। এই ১০০ দিনীয়া কাৰ্যসূচীৰ অধীনত প্ৰতিটো আয়ুষ্মান আৰোগ্য মন্দিৰ, প্ৰতিখন স্বাস্থ্য প্ৰতিষ্ঠানৰ সম্ভাব্য ৰোগীক চিনাক্ত কৰি বিনামূলীয়া ঔষধৰ যোগান ধৰা, প্ৰতিজন আক্ৰান্ত ব্যক্তিক পুষ্টিকৰ খাদ্য যোগান ধৰাৰ লগতে ঔষধ গ্ৰহণ কালত প্ৰতি মাহত ১০০০ টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ জিলাত স্বাস্থ্য বিভাগে এই অভিযানৰ অধীনত বৰ্তমান পৰ্যন্ত মুঠ জনসংখ্যাৰ ২৭৯০৩৯ গৰাকী ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰিছে। এই পৰ্যন্ত কামৰূপ জিলাৰ মুঠ আঠটা যক্ষ্মা গোটে ১৪৬,৭৯১ গৰাকী ব্যক্তিক নিৰীক্ষণ কৰি তাৰে ১৭০ গৰাকী যক্ষ্মা ৰোগী চিনাক্ত কৰিবলৈ সক্ষম হৈছে। এইসকল ৰোগীক যাৱতীয় বিনামূলীয়া ঔষধ যোগান ধৰা হৈছে। এতিয়ালৈকে মুঠ ১৮০৮ টা "নিক্ষয় শিবিৰ" পতা হৈছে আৰু লগতে দুখন "নিক্ষয় বাহন" এই অভিযানত ব্যৱহাৰ কৰি যক্ষ্মা নিৰ্মূলকৰণ প্ৰক্ৰিয়া পূৰ্ণগতিত চলাই থকা হৈছে। জিলাখনৰ মুঠ ১৩৯ খন গাঁও পঞ্চায়তৰ প্ৰতিটো অঞ্চলৰ সম্ভাব্য ব্যক্তিক এই অভিযানত সামৰি লোৱা হৈছে। এই অভিযানত কামৰূপ জিলাত মুঠ ৯ টা "নাট" মেচিন ব্যৱহাৰ কৰা হৈছে। যথেষ্ট উন্নত প্ৰযুক্তিৰে মেচিনসমূহৰ দ্বাৰা যক্ষ্মা ৰোগ চিনাক্ত কৰি সমাজৰ পৰা এই ৰোগ নিৰ্মূল কৰি এখন যক্ষ্মা মুক্ত কামৰূপ জিলা তথা অসম আৰু যক্ষ্মা মুক্ত ভাৰত গঢ়াৰ বাবে এই অভিযানে কাম কৰি আছে। কামৰূপ জিলাত চৰকাৰী হাস্পতালত কাৰ্যক্ষম হৈ থকা ৭ টা এক্স-ৰে কেন্দ্ৰ আৰু ব্যক্তিগত মালিকানাধীন ৫ টা এক্স-ৰে কেন্দ্ৰও এই ১০০ দিনীয়া অভিযানত ব্যৱহাৰ কৰি থকা হৈছে আৰু এতিয়ালৈকে মুঠ ২৯৩৪ গৰাকী ব্যক্তিৰ এক্স-ৰে কৰা হৈছে। এই অভিযান সফল কৰাত কামৰূপ জিলাৰ স্বাস্থ্য সেৱাৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ ৰূপালী শইকীয়া ফুকনে সকলোৰে সহযোগিতা কামনা কৰিছে।

## অনাতাঁৰ নাট মহোৎসৱ-২০২৫ ৰ শুভ উদ্বোধন

# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ৫৭সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১৫ ফেব্ৰুৱাৰীঃ** অসম তথা উত্তৰ-পূবৰ অগ্ৰণী অনাতাঁৰ কেন্দ্ৰ আকাশবাণী ডিব্ৰুগড়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। পুৱা ১০ বজাৰ পৰা 'মহিলা সবলীকৰণ আৰু সামাজিক স্বাস্থ্য' শীৰ্ষক এক কৰ্মশালা অনুষ্ঠিত কৰা হয়। আকাশবাণীৰ উত্তৰ পূব মণ্ডলৰ এ ডি জি আশীষ ভাটনাগৰে কৰ্মশালাখন উদ্বোধন কৰে। কৰ্মশালাৰ কী নোট বক্তব্য প্ৰদান কৰে আকাশবাণীৰ অতিৰিক্ত সঞ্চালক প্ৰধান দীপক যোশীয়ে। বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ অধ্যাপিকা ড০ আৰাধনা বৰঠাকুৰ, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা সুদক্ষিণা দাস, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপিকা ডাঃ সবিতা দিহিঙীয়া, ডাঃ আইৰিন বুঢ়াগোহাঁই, অধ্যাপিকা ড০ নীতি কলিতা বৰুৱা, অধ্যাপিকা ড০ উপাসনা শৰ্মা প্ৰমুখ্যে ভালেকেইগৰাকী সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ নৈমিত্তিক ঘোষক-ঘোষিকা, বিষয়া-কৰ্মী, ছাত্ৰ-ছাত্ৰীসহ শতাধিক লোকে অংশ গ্ৰহণ কৰে। আবেলি ২ বজাত আকাশবাণীৰ দুগৰাকী অতিৰিক্ত সঞ্চালক প্ৰধানৰ সৈতে ভাব বিনিময় অনুষ্ঠান সম্পন্ন হয়। সন্ধিয়া ৬ বজাত সমবেত সংগীতেৰে সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ উদ্বোধনী বক্তৃতা প্ৰদান কৰে অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে। প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে আমন্ত্ৰিত অতিথি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকাই অনাতাঁৰ নাট মহোৎসৱ-২০২৫ ৰ বিষয়ে সম্যকভাৱে বক্তব্য দাঙি ধৰাৰ পাছতে নাট সমাৰোহৰ শুভ উদ্বোধন কৰে নতুন দিল্লীৰ আকাশবাণীৰ সঞ্চালকালয়ৰ অতিৰিক্ত সঞ্চালক প্ৰধান দীপক যোশীয়ে। উদ্বোধনী বক্তব্যত তেওঁ নাটক সম্পৰ্কে নিজৰ জীৱনৰ বৰ্ণিল অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। তেওঁ কয় যে নাটক ভাব বিনিময়ৰ শক্তিশালী মাধ্যম। আকাশবাণী ডিব্ৰুগড়ৰ এনে প্ৰচেষ্টাৰ তেওঁ শলাগ লয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰস্তুত কৰা ই-স্মৰণিকা মুকলি কৰে আকাশবাণী ডিব্ৰুগড়ৰ কাৰ্যালয় মুৰব্বী কে কে ৰেংমাই। অনুষ্ঠানৰ আঁত ধৰে আকাশবাণী ডিব্ৰুগড়ৰ প্ৰসাৰণ কাৰ্যবাহী পৰশা কোঁৱৰে।

# কামৰূপত ৰোগীক আয়ুৰ্বেদৰ স্বাস্থ্য ৰক্ষণ নীতি আৰু যোগাভ্যাসৰ পৰামৰ্শ প্ৰদানৰ নিৰ্দেশ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৫ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ স্বাস্থ্যসেৱা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ে ৰোগীসকলে সোনকালে ৰোগৰ পৰা পৰিত্ৰাণ পোৱাত সহায় হোৱাকৈ আৰু তেওঁলোকৰ উন্নত স্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে জিলাখনৰ চিকিৎসালয়ৰ মুৰব্বীসকলক ৰোগীক ঔষধ প্ৰদানৰ উপৰি আয়ুৰ্বেদত উল্লিখিত স্বাস্থ্য ৰক্ষণ নীতি আৰু উপদেশসমূহ পালন কৰাৰ ক্ষেত্ৰত উৎসাহিত কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলে শেহতীয়াকৈ এক পৰ্যালোচনা সভাত আয়ুৰ্বেদৰ স্বাস্থ্য ৰক্ষণ নীতি আৰু উপদেশসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি সুস্বাস্থ্যৰ বাবে ৰোগীসকলক যোগাভ্যাসৰ লগতে আয়ুৰ্বেদত উল্লিখিত স্বাস্থ্য ৰক্ষণ নীতি সন্দৰ্ভত যাৱতীয় পৰামৰ্শ প্ৰদান কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। সেইমৰ্মে কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকে চিকিৎসালয়ৰ মুৰব্বীসকলক এক পত্ৰযোগে জনাইছে যে আয়ুৰ্বেদৰ শাস্ত্ৰসমূহত দিনচৰ্যা অৰ্থাৎ দিনটোৰ ভিতৰত পালন কৰিবলগীয়া নিয়ম-আচৰণসমূহ, ঋতুচৰ্যা অৰ্থাৎ বছৰৰ প্ৰতিটো ঋতুত পালন কৰিবলগীয়া নিয়ম-আচৰণসমূহ, আহাৰ-বিহাৰ অৰ্থাৎ শাৰীৰিক প্ৰকৃতি অনুসৰি গ্ৰহণ কৰিবলগীয়া খাদ্যাভাসসমূহ বিস্তৃতভাৱে উল্লেখ আছে। বৰ্তমান সময়ত এক সু-স্বাস্থ্য ৰক্ষা তথা ৰোগসমূহৰ নিৰাময়ৰ ক্ষেত্ৰত এই ব্যৱস্থাসমূহৰ গুৰুত্ব যথেষ্ট বেছি। বিভিন্ন ৰোগসমূহ যেনে মধুমেহ, উচ্চ ৰক্তচাপ আদিৰ দৰে ৰোগসমূহৰ পৰা হাত সাৰি থাকিবলৈ দিনচৰ্যা, ঋতুচৰ্যা আৰু আহাৰ-বিহাৰ আদিৰ গুৰুত্ব অপৰিসীম। উক্ত পত্ৰত চিকিৎসালয়সমূহত সকলো বিভাগৰ চিকিৎসকসকলক ৰোগীক ঔষধৰ ব্যৱস্থা পত্ৰৰ লগতে দিনচৰ্যা, ঋতুচৰ্যা আৰু আহাৰ-বিহাৰ আৰু যোগাভ্যাসৰ প্ৰয়োজনীয় উপদেশ দিবলৈ নিৰ্দেশ দিয়া হৈছে। বাস্তৱ ক্ষেত্ৰত এই কাৰ্য প্ৰতিফলিত হ'লে নিঃসন্দেহে ৰোগী সকল যথেষ্ট উপকৃত হ'ব। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীগৰাকীৰ এনে প্ৰচেষ্টা আৰু কামৰূপ জিলা স্বাস্থ্য সেৱা বিভাগৰ এই ধৰণৰ নিৰ্দেশৰ সকলোৱে শলাগ লৈছে।

# পশ্চিম কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদালয়সমূহৰ সহবিদ্যায়তনিক শিক্ষাৰ উত্তৰণৰ প্ৰয়াস

**ই-সংবাদ, মাজুলী, ১৫ ফেব্ৰুৱাৰীঃ** মাজুলীৰ পশ্চিম কমলাবাৰীৰ মণ্ডল সমল কেন্দ্ৰৰ সৌজন্যত ২২৮ নং ঝাৰণী সোণোৱাল প্ৰাথমিক বিদ্যালয় আৰু ২ নং ওপৰ সোণোৱাল প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত বিদ্যালয়ৰ কাষতে থকা ঝাৰণী সোণোৱাল তিনি আলিত বিদ্যায়তনিক শিক্ষাৰ সমান্তৰালভাৱে সহবিদ্যায়তনিক শিক্ষা আগবঢ়াই নিবলৈ আজি থলুৱা শাক-পাচলিৰ বজাৰৰ আয়োজন কৰে। ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ মাজৰ পৰা কিছু সময় আঁতৰি হাতে-কামে লগা বাস্তৱিক শিক্ষা লাভৰ বাবে এদিনীয়াৰ বজাৰত বহে। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰয়োজনীয় অৰ্হতা আহৰণৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰে। প্ৰায় ৪০ খনতকৈ অধিক থলুৱাভাৱে উৎপাদিত শাক-পাচলিৰ বজাৰ বহে তিনিআলিটোত। ইয়াৰ ভিতৰত ঔষধি গুণ থকা খাদ্য আৰু পুষ্টিকৰ খাদ্যৰ ধাৰণা লাভ কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ বাৰীতে থাকিবলগীয়া খাদ্যৰ তালিকা সম্পৰ্কে সম্যক জ্ঞান দিয়াৰ উপৰি বাস্তৱিক ক্ষেত্ৰত প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীৰ থলুৱা শাক-পাচলিৰ বজাৰত খণ্ড সমল ব্যক্তি বসন্ত বৰা, অৰিন্দম বৰা, বৰগুৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ডম্বৰুধৰ নাথ, ২২৮ নং ঝাৰণী সোণোৱাল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গণেশ দত্ত প্ৰমুখ্যে অৰ্ধ শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# এদিনতে কেইবাটাও গ্ৰাম্য পথৰ আধাৰশিলা বিধায়ক বিনোদ হাজৰিকাৰ



**ই সংবাদ, চাবুৱা-লাহোৱাল, ১৫ ফেব্ৰুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনক লৈ শাসক বিৰোধী ব্যস্ত হৈ থকাৰ সময়তে পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি উন্নয়নৰ কামত মনোনিৰেশ কৰিছে শাসকীয় দলৰ লাহোৱালৰ সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা। গ্ৰাম্য উন্নয়ন অধিক ত্বৰান্বিত কৰিববলৈ বিধায়ক বিনোদ হাজৰিকাই আজি একেটা দিনতে কেইবা কোটি টকাৰে পথৰ আধাশিলা স্থাপন কৰে। গ্ৰাম্য উন্নয়ন গুৰুত্ব দি ভোটাৰৰ কাষ চাপিবলৈ লাহোৱাল সমষ্টিত বিধায়ক বিনোদ হাজৰিকাই আজি তিনিটা পথৰ আধাৰশিলা স্থাপন কৰে। নিজ ৰহমৰীয়াৰ গেনিচুককে ধৰি আন আন প্ৰান্ত সংযোগী গুৰুত্বপূৰ্ণ পথৰ আধাৰশিলা স্থাপন কৰে বিধায়ক বিনোদ হাজৰিকাই। বিধায়কগৰাকীৰে আধাৰশিলা স্থাপন কৰি কয় যে থানাই চাহ বাগিচাত ১ কৌটি টকাৰে নিৰ্মাণ হ'ব লগা বাগিচা পথৰ আধাশিলা স্থাপন কৰা হ'ল। নিজ ৰহমৰীয়াৰ গেনিচুকলৈ যোৱা পথটো ৩ কোটি ৩০ লাখ টকাৰে নিৰ্মাণ কৰিববলৈ লোৱাত আধাৰশিলা স্থাপন পাছতেই খাগৰি মাইজানৰ পথ নিৰ্মাণত আধাশিলা স্থাপন কৰা হয়। এই পথসমূহ নিৰ্মাণ সম্পূৰ্ণ হ'লে ৰাইজৰ সুবিধা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত শৰ্মাই উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হোৱাৰ লগে লগে ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা বলৱৎ হ'ব বুলি ঘোষণা কৰাত মুখ্য বিৰোধী কংগ্ৰেছৰ লগতে আন ৰাজনৈতিক দলে সাংগঠনিক কাম কাজ ব্যস্ত হৈ পৰাৰ সময়তে বিজেপিয়ে বিভিন্ন আঁচনিৰ আধাৰশিলা স্থাপন কৰি থকা দেখা গৈছে। শাসক দল বিজেপিয়ে মণ্ডল, জিলা আৰু ৰাজ্যিক পৰ্যায়লৈ নেতৃত্ব সাল-সলনি কৰা লগতে উন্নয়নৰ কামত মনোনিৰেশ কৰি পঞ্চায়ত নিৰ্বাচনত ভোটাৰক আকৰ্ষিত কৰিববলৈ সাজু হৈছে।

# তিনিচুকীয়াত 'কাব্য-গীত-কথাৰে উন্মনা ফাগুনৰ এক সুমধুৰ আবেলি' শীৰ্ষক অনুষ্ঠান

**ই-সংবাদ তিনিচুকীয়া, ১৫ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া সদৰ শাখা কবি সন্মিলনৰ সাধাৰণ সম্পাদক শিখাৰাণী গগৈৰ আতিথ্যত ন-পুখুৰীস্থিত শিখাৰাণী ভৱনত পহিলা ফাগুনৰ দিনটোত " কাব্য-গীত-কথাৰে উন্মনা ফাগুনৰ এক সুমধুৰ আবেলি " শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। শাখাৰ সভাপতি সান্তনা বুঢ়াগোহাঁই হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ আৰম্ভণিতে ইন্দ্ৰাণী বৰপূজাৰীয়ে এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানত মনিকা গগৈ, ইন্দিৰা ফুকন হাজৰিকা, মৰমী বৰবৰা, সুৰঞ্জনা বৰুৱা, সন্ধ্যাৰাণী ভট্টাচাৰ্য, মানৱী কাশ্যপ বৰুৱা, স্মৃতিৰূপী খাউণ্ড, নিৰ্মালী বৰকটকী বৰুৱা, ইন্দ্ৰাণী বৰপূজাৰী, পাপুল গগৈৰ লগতে সভাপতি-সম্পাদকেও একোটিকৈ স্বৰচিত কবিতা পাঠ কৰাৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালা, দীপালী বৰঠাকুৰ, জয়ন্ত হাজৰিকা, কল্পনা দত্ত আৰু অসমৰ কেইবাগৰাকী গীতিকাৰৰ গীত পৰিৱেশন কৰে। সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় শিখাৰাণী গগৈয়ে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি অনাগত দিনৰ কাৰ্যসূচীৰ সম্পৰ্কতো আলোচনা কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় ইন্দ্ৰাণী বৰপূজাৰীয়ে। কাব্যমন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# সন্ধান ওলাল গেলেকীৰ নিৰুদ্দেশ যুৱকৰ

**ই-সংবাদ, গেলেকী, ১৫ ফেব্ৰুৱাৰীঃ** প্ৰায় ১ মাহ মূৰত সন্ধান ওলাইছে গেলেকী থানাৰ অন্তৰ্গত ৰঙাগড়াৰ পৰা নিৰুদ্দেশ হৈ থকা যুৱক ৰুবুল আলী (৩৭)ৰ। সুদূৰ জম্মু কাশ্মীৰত সন্ধান ওলাইছে গেলেকীৰ যুৱকজনৰ। ৰঙাগড়াৰ হাবিচুকৰ নবুল আলীৰ পুত্ৰ ৰুবুল আলী বিগত ১৩ জানুৱাৰীৰপৰা নিৰুদ্দেশ হৈ আছিল। উৰুকাৰ নিশা ভোজ খাবলৈ ওলাই যোৱাৰ পিছৰেপৰা ঘৰলৈ উভতি আহা নাছিল প্ৰায় ৩৭ বছৰীয়া যুৱকজন। পৰিয়ালে এই সম্পৰ্কে লিখিত অভিযোগ দাখিল কৰিছিল গেলেকী থানাত। লগতে তাৰ সমান্তৰালভাৱে সমগ্ৰ বিষয় উল্লেখ কৰিছিল সংবাদ মাধ্যমৰ আগত। প্ৰথম অৱস্থাত গেলেকীৰ আৰক্ষীয়ে এই বিষয়ে তদন্ত আৰম্ভ কৰিছিল যদিও কোনো ধৰণৰ সম্ভেদ ওলিয়াব পৰা নাছিল যুৱকজনৰ । জানিব পৰা মতে যুৱকজন স্থানীয় আন দুজন সতীৰ্থৰ সৈতে শিমলুগুৰি জংচনৰপৰা ৰে'লেৰে যাত্ৰা আৰম্ভ কৰিছিল। লগৰ বাকী দুই বন্ধু ঘৰলৈ উভতি আহিছিল যদিও ওভতি অহা নাছিল যুৱকজন।

# আলফাৰ শ্বহীদ আব্দুল বাৰিকৰ ভাতৃ জাহাংগীৰৰ মৃত্যুত শোক

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১৫ ফেব্ৰুৱাৰীঃ** চাবুৱাৰ দিনজয়ৰ মানৱ অধিকাৰ কৰ্মী মহম্মদ জাহাংগীৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে সংযুক্ত খিলঞ্জীয়া জাতীয় পৰিষদে। সংযুক্ত খিলঞ্জীয়া জাতীয় পৰিষদৰ কেন্দ্ৰীয় নেত্ৰী শ্যামলী গগৈ, মুখ্য প্ৰচাৰ সম্পাদক মনোজ দুৱৰাই এক বিবৃতি যোগে জাহাংগীৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰে। শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। একেটা বিবৃতি যোগে সংগঠনটোৱে কয় যে এনে এজন সৎ, নিষ্ঠাৱান, সৰ্ববহীৰ মৃত্যু জাতিৰ বাবে অপূৰণীয় ক্ষতি। সমাজসেৱক, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ প্ৰাক্তন নেতা মহম্মদ জাহাংগীৰ কিছুদিন পূৰ্বে হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছিল। মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ ডিব্ৰুগড় জিলা আৰু চাবুৱা আঞ্চলিক সমিতিৰ সক্ৰিয় কৰ্মী আছিল। মহম্মদ জাহাংগীৰ আলফাৰ শ্বহীদ সদস্য আব্দুৰ বাৰিক ওৰফে বিজয় বৰুৱাৰ জ্যেষ্ঠ ভাতৃ আছিল। সংগঠনটোৱে একেটা বিবৃতি যোগে আৰু কয় যে আজীৱন সমাজসেৱা কৰাৰ লগতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ নিষ্ঠাৱান কৰ্মী আছিল জাহাংগীৰ। অতি সৎ, সাহসেৰে আৰু যুক্তিপূৰ্ণভাৱে খিলঞ্জীয়াৰ কথা দাঙি ধৰিছিল। খিলঞ্জীয়া জনগণৰ হকে অৰিহণা যোগোৱাৰ লগতে গাঁও পঞ্চায়তৰ সদস্য হৈ সেৱা আগবঢ়াইছিল।

# মহামায়া ৰাজাপাৰাত ধৰ্মপ্ৰাণ মহিলাৰ অকাল মৃত্যু

**ই-সংবাদ, পৰ্বতঝোৰা, ১৫ ফেব্ৰুৱাৰীঃ** বি টি আৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজাপাৰা দ্বিতীয় খণ্ড গাঁৱৰ মহামায়া ডিগ্ৰী কলেজৰ প্ৰবক্তা কৰুণা অধিকাৰীৰ মাতৃ ধৰ্মপ্ৰাণ মহিলা কিৰণবালা অধিকাৰীৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পেলাইছে। তেখেতৰ মৃত্যুত বিভিন্ন দল-সংগঠনৰ তৰফৰপৰা শোক প্ৰকাশ কৰাৰ লগতে পৰ্বতঝোৰা প্ৰেছ ক্লাবে গভীৰ শোক প্ৰকাশ কৰে। শুকুৰবাৰে বিয়লি ২.১৫ মান বজাত নিজ বাসগৃহত ধৰ্মপ্ৰাণ মহিলা কিৰণবালা অধিকাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰে। আজি পুৱাৰ ভাগত খোৱাঘাট শ্মশানত তেখেতৰ শেষকৃত্য সম্পূৰ্ণ কৰা হয় বুলি পৰিয়ালৰ লোকে জানিববলৈ দিয়ে। তেখেতৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৫ বছৰ। তেখেতে মৃত্যুৰ সময়ত পুত্ৰ, জীয়ৰী, নাতি-নাতিনীৰ লগতে ভালেসংখ্যক আত্মীয় স্বজন ইহ সংসাৰত এৰি যায়।

# ডিটেনচন কেম্পৰ বিদেশীক শীঘ্ৰে বিতাৰণৰ দাবী বিধায়ক আশ্ৰাফুল হুছেইনৰ

**ই-সংবাদ, নগৰবেৰা, ১৫ ফেব্ৰুৱাৰীঃ** বিদেশী নাগৰিকৰ প্ৰতি সৰৱ হৈ পৰিছে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইন। চেঙা সমষ্টিত কেইবাটাও উন্নয়ণমূলক কামৰ শুভাৰম্ভ কৰি বিধায়ক আশ্ৰাফুল হুছেইনে কয়-- ডিটেনচন কেম্পত থকা বিদেশী নাগৰিকসকলক শীঘ্ৰে বিতাৰণ কৰাৰ লগতে তাত থকা স্বদেশী নাগৰিকসকলক তৎকালে মোকলাই দিব লাগে। ডিটেনচন কেম্পত থকা বিদেশী নাগৰিকক বিতাৰণ নকৰাত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে বিধায়কগৰাকীয়ে। ইপিনে সাংসদ গৌৰৱ গগৈৰ পত্নীক লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু বিজেপি দলে আৰম্ভ কৰা বিতৰ্ক সন্দৰ্ভত বিধায়ক আশ্ৰাফুল হুছেইনে কয় যে গৌৰৱ গগৈৰ পত্নীৰ ওপৰত উত্থাপিত অভিযোগৰ যদি কোনো ভিত্তি আছে তেন্তে ইয়াৰ তদন্ত হ'ব লাগে আৰু যদি নাই এনেবোৰ কথা বন্ধ হ'ব লাগে। কাৰোবাৰ পত্নীৰ দোষ ঢাকিবলৈ কাৰোবাৰ পত্নীক লৈ যদি বিতৰ্কৰ সৃষ্টি কৰা হৈছে তেন্তে এয়া দুৰ্ভাগ্যজনক। ইপিনে যোৱা নিশা সমষ্টিৰ আলোপতিত অনুষ্ঠিত এ আই ইউ ডি এফৰ যোগদান সভাত উপস্থিত থাকি কংগ্ৰেছ দল আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে সৰৱ হৈ পৰে বিধায়ক আশ্ৰাফুল হুছেইন। তেওঁ কয়-- বহু সপোন দেখুৱাই ৰকিবুল হুছেইনে ভোট লাভ কৰি জয়ী হোৱাৰ পাছতে ধুবুৰী সংসদীয় সমষ্টিৰ জলন্ত সমস্যাৰ প্ৰতি পিঠি দিয়াই নহয় সংসদীয় সমষ্টি উন্নয়ণ পুঁজি লক্ষীমপুৰত ব্যয় কৰি ধুবুৰীবাসীক প্ৰতাৰণা কৰিছে। মাত্ৰ সাত মাহতে সাংসদ ৰকিবুল হুছেইন আৰু কংগ্ৰেছ দলৰ প্ৰতি মোহভংগ হৈছে সাধাৰণ ভোটাৰৰ। মূলতঃ সাংসদ ৰকিবুল হুছেইনৰ মিথ্যাচাৰৰ বাবেই পঞ্চায়ত নিৰ্বাচনৰ আগে আগে চেঙা সমষ্টিৰ বিভিন্ন প্ৰান্তত কংগ্ৰেছত খহনীয়া আৰম্ভ হৈছে। যোগদান সভাত আলোপতি অঞ্চলৰ অৰ্ধশতাধিক লোকে কংগ্ৰেছ দল ত্যাগ কৰি এ আই ইউ ডি এফত যোগদান কৰে। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত বিধায়কগৰাকীয়ে দিল্লীৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছে বিজেপিৰ এজেন্ট হিচাপে কাম কৰাৰ অভিযোগ উত্থাপন কৰে। হাৰিয়ানাৰ নিৰ্বাচনত আপৰ বাবেই কংগ্ৰেছে ক্ষমতা হেৰুৱাই দিল্লীৰ নিৰ্বাচনত তাৰ পোতক তুলা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে বিধায়ক আশ্ৰাফুল হুছেইনে। উল্লেখ্য যে কালি বিধায়কগৰাকীয়ে সমষ্টিৰ খোলাবান্ধা গাঁও পঞ্চায়তৰ অন্তৰ্গত কাৱাইখাইতিৰপৰা বাঘেৰচৰলৈ যোৱা ১ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে ১.৮ কিলোমিটাৰ পকী পথ আৰু কাছুমাৰা পঞ্চায়তৰ অন্তৰ্গত শিমুলবাৰীৰ পৰা হলংগাপাৰালৈ যোৱা ৯০ লাখ টকাৰ ৯০০ মিটাৰ পকী পথৰ কামৰ শুভাৰম্ভ কৰে। চলিত বৰ্ষতে আৰু কেইবাটাও পকী পথৰ কাম আৰম্ভ হ'ব বুলিও ব্যক্ত কৰিছে বিধায়কগৰাকীয়ে।

# তিনিচুকীয়াত লোক আদালত

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৫ ফেব্ৰুৱাৰীঃ** অহা ৮ মাৰ্চত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হব। তিনিচুকীয়া চহৰৰ বৰগুৰিস্থ তিনিচুকীয়া জিলা ন্যায়িক আদালত প্ৰাংগণৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা সমজিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো পুৱা ১০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালত অনুষ্ঠিত কৰিব, য'ত দেৱানী, আপোচযোগ্য ফৌজদাৰী, মটৰ দুৰ্ঘটনা সংক্ৰান্তীয় ৰাজহ, বৈবাহিক সম্বন্ধীয় গোচৰ, এন আই এক্টৰ অধীনৰ গোচৰ, বিদ্যুৎ বিভাগৰ বিল সম্পৰ্কীয় আপত্তি, বি এছ এন এলৰ বিল সম্পৰ্কীয় আপত্তি আৰু বেংকৰ ঋণ সম্পৰ্কীয় ওজৰ-আপত্তি নিষ্পত্তি কৰা হব। উল্লেখ্য যে লোক আদালতৰ ন্যায় খৰচবিহীন হোৱাৰ লগতে ইয়াৰ ৰায় তাৎক্ষণিক আৰু আপীল অযোগ্য। অধিক তথ্যৰ বাবে- জিলা আইন সেৱা প্ৰাধিকৰণ, তিনিচুকীয়া আদালত চৌহদ, বৰগুৰি-৭৮৬১২৬, ফোন নং ৬৯০১২-৮১৬৪৭ত যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জনাইছে।




**চৰাইদেউত অৰুণোদয় ৩.০ আঁচনিৰ জিলাপৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠকত মন্ত্ৰী যোগেন মহন**

# নিৰ্মীয়মান নলা-পদপথ, নলবাৰীত যান-জঁট

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৫ ফেব্ৰুৱাৰীঃ** বাৰিষা এজাক বৰষুণ দিলেই জলমগ্ন হৈ পৰা নলবাৰী চহৰত নলা নিৰ্মাণৰ কাম চলি থকাৰ বাবে চহৰখনত সম্প্ৰতি ব্যাপক যান-জঁটৰ সৃষ্টি হৈছে। নলা আৰু ফুটপাথ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ প্ৰায় এবছৰ হ'ল যদিও কাম শেষ হ'বলৈ এতিয়াও ৪০-৫০ শতাংশই বাকী। বৰ্তমানে নলা আনফালে নগৰৰ পথ নিৰ্মাণৰ কাম চলি থকাত ব্যাপক যান-জঁটৰ সৃষ্টি হৈছে। ব্যস্ত হাজো-নলবাৰী পথটোৰ চহৰ অংশৰ বহলকৈ নিৰ্মাণ কাৰ্য বৰ্তমানে চলি থকাত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। এই পথটোত নলবাৰী চহৰৰ কেইবাখনো কলেজ, স্কুলৰ লগতে অফিচ-কাচাৰীৰ দৈনিক হাজাৰ হাজাৰ লোক আৰু শ শ গাড়ী-মটৰ যাতায়াত কৰে। পথটো নিৰ্মাণৰ বাবে প্ৰশাসনে ৱান ৱে'ৰ ব্যৱস্থা কৰিছে। অৱশ্যে অকল উক্ত পথতেই নহয়, চহৰখনৰ আন কেইবাটাও ব্যস্ত পথৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চহৰখনত যান-জঁটৰ সৃষ্টি হৈছে। বাৰিষাৰ পূৰ্বেই কেইবাশ কোটি টকীয়া নলা নিৰ্মাণ আৰু পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'বনে তাৰ নিশ্চয়তা নাই। কাৰণ বাৰিষালৈ মাজত দুমাহ-তিনিমাহ বাকী। ইপিনে এনে অভাৱনীয় যান-জঁটৰ পিছতো চহৰখনত যান-বাহন চলাচল অথবা ষ্ট'পেজৰ ক্ষেত্ৰত কোনো নীতি-নিয়ম নাই। যান-বাহন আৰক্ষীয়ে সময়ে সময়ে নীতি-নিয়ম বান্ধি দিয়ে যদিও সেই নিয়ম সততে এচামে উলংঘা কৰি আহিছে। ফলত পথচাৰীয়ে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ উইংগাৰ, ট্ৰেভেলাৰ, ই-ৰিক্সাৰ যধে-মধে চলাচলে পথচাৰী ৰাইজ বাইক-স্কুটী আৰোহীক বিৰক্ত কৰি তুলিছে। চহৰখনত উইংগাৰ, ট্ৰেভেলাৰৰ কোনো নিৰ্দিষ্ট আস্থান নাই। এনে বাহনৰ চালকে কোনো ট্ৰেফিক নিয়ম জিলা সদৰখনত পালন নকৰাৰ অভিযোগ উঠিছে। নলবাৰীৰপৰা গুৱাহাটীলৈ যাত্ৰী কঢ়িওৱা উইংগাৰ, ট্ৰেভেলাৰ নিতৌ চলাচল কৰে প্ৰায় এশখনৰো অধিক। ৰাতিপুৱাৰ ভাগত এই বাহনসমূহৰ যাত্ৰী কঢ়িওৱাৰ অঘোষিত প্ৰতিযোগিতা চলে। চহৰৰ ব্যস্ত জিলিকনি চ'ক, থানা চ'ক আদিত এই চালকসকলে যধে-মধে পাৰ্কিং কৰি তীব্ৰ যান-জঁটৰ সৃষ্টি কৰি আহিছে। যধে-মধে ৰখাই থোৱা উইংগাৰ, ট্ৰেভেলাৰৰ ফলত সৃষ্টি হোৱা ব্যাপক যান-জঁটৰ বাবে জিলিকনি চ'কত সঘনাই ঘটি আহিছে দুৰ্ঘটনা। চ'কটো উইংগাৰ, ট্ৰেভেলাৰৰ আস্থান নহয় যদিও জিলিকনি চ'কত অবৈধ আস্থান গঢ়ি উঠাৰ ফলত উক্ত স্থানত যথেষ্ট যান-জঁটৰ সৃষ্টি হৈ আহিছে।

# চৰাইদেউত অৰুণোদয় ৩.০ আঁচনিৰ নিৰীক্ষণ সমিতিৰ বৈঠক

**ই-সংবাদ, সোণাৰি, ১৫ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস বিভাগৰ মন্ত্ৰী যোগেন মহনৰ অধ্যক্ষতাত তথা সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ উপস্থিতিত আজি অৰুণোদয় ৩.০ আঁচনিৰ অন্তৰ্গত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। চৰাইদেউৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত অৰুণোদয় ৩.০ আঁচনিৰ অন্তৰ্গত হিতাধিকাৰীৰ চয়ন, পৰীক্ষণ আৰু চূড়ান্তকৰণৰ বিভিন্ন বিষয়ৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে অৰুণোদয় ৩.০ আঁচনিৰ অন্তৰ্গত চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত হিতাধিকাৰীৰ লক্ষ্য হ'ল ক্ৰমে ২৭,০৯৫ আৰু ২৭,০৯৬। বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা চৰাইদেউ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে সংযুক্ত হৈ অৰুণোদয় ৩.০ আঁচনিৰ অন্তৰ্গত হিতাধিকাৰী চয়ন প্ৰক্ৰিয়াৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃতভাৱে অৱগত কৰা হয়। আজিৰ বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, মাহমৰাৰ সম-জিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, অতিৰিক্ত জিলা আয়ুক্ত (উন্নয়ন) নৱদ্বীপ চাংমাই, সহকাৰী আয়ুক্তদ্বয় উৰ্বশী চেতিয়া আৰু আকাংক্ষী ভট্টাচাৰ্য, সোণাৰি, মাহমৰা, লাকুৱা আৰু সাপেখাতী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল ক্ৰমে বৰ্ণালী ফুকন, উৎপল গগৈ, অন্তৰা হুছেইন আৰু বনজ্যোৎস্না বৰগোহাঁই, সোণাৰি আৰু মৰাণ পৌৰসভাৰ পৌৰপতিদ্বয় তিলক চন্দ্ৰ নেওগ আৰু অৰূপ দত্ত, সোণাৰি পৌৰসভাৰ উপ-পৌৰপতি স্বাক্ষৰ জ্যোতি গগৈ, বিশিষ্ট সমাজকৰ্মী দ্বয় লক্ষীনাথ তাছা আৰু হৰেন গগৈ প্ৰমুখ্যে সংশ্লিষ্ট চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।




**আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন, ফটোঃ ই-সংবাদ, ডিব্ৰুগড়**

# কল্যাণীত বিজ্ঞান আৰ্হি প্ৰতিযোগিতা

**ই-সংবাদ, বাহনা, ১৫ ফেব্ৰুৱাৰীঃ** কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তী উদযাপন সমিতি আৰু যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অহা ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে প্ৰথমদিনা দিনৰ ১০ বজাৰপৰা যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ অষ্টমৰপৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নগদ ধনৰ পুৰস্কাৰৰ বিজ্ঞান আৰ্হি (মডেল) প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰতিযোগিতাত একোটা আৰ্হিৰ লগত দুজনকৈ ছাত্ৰ-ছাত্ৰী থাকিব পাৰিব আৰু বিদ্যালয়প্ৰধানৰ পৰা অধ্যয়নৰত শ্ৰেণীৰ প্ৰমাণ-পত্ৰ লগত আনিব লাগিব। প্ৰতিযোগিতাত ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত এশ টকা মাচুলসহ যোগদান নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। সবিশেষ জানিবৰ বাবে হেমেন কুমাৰ শইকীয়া, দূৰভাষঃ ৭৮৯৬৬৩০১০৮, দিগন্ত শইকীয়া, শিক্ষক, কল্যাণী বাল্যভৱন, দূৰভাষঃ ৯৭০৬৩১১৮৩৮ ৰ লগত যোগাযোগ কৰিব পাৰিব। উক্তদিনা আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উদ্ভাৱক উদ্ধৱ কুমাৰ ভৰালীয়ে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান মানসিকতা আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগ বিষয়ত বক্তৃতা প্ৰদান কৰিব। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি নুৰুজ জামানৰ সভাপতিত্বত হ'বলগীয়া অনুষ্ঠান উদ্বোধন কৰিব আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশজ্যোতি বৰঠাকুৰে। অনুষ্ঠানত ৰাইজৰ উপস্থিতি ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক নিযুত কুমাৰ দত্ত আৰু অধ্যক্ষা বিশ্বজিতা বৰপূজাৰীয়ে কামনা কৰিছে।

# ছিপাঝাৰ কলেজৰ আছু গোট গঠন

**ই-সংবাদ, ছিপাঝাৰ, ১৫ ফেব্ৰুৱাৰীঃ** যোৱা শুকুৰবাৰে ছিপাঝাৰস্থিত ছহিদ ভৱনত অনুষ্ঠিত এখনি বিশেষ সভাত শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত দৰং জিলাৰ ঐতিহ্যমণ্ডিত তথা উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ছিপাঝাৰ মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ ওপৰত বিস্তীৰ্ণ আলোচনা কৰাৰ লগতে ছিপাঝাৰ মহাবিদ্যালয় আছু গোট গঠন কৰা হয়। উক্ত সভাত ৰিকুশ্ৰী ৰায় বৰুৱাক সভাপতি, দ্বীপজ্যোতি নাথক সাধাৰণ সম্পাদক হিচাপে লৈ ৩৪ জনীয়া এখন সমিতি গঠন কৰা হয়। উল্লেখ্য যে এই সভাখনত সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হৃদয় বৰুৱা, জিলা কাৰ্যনিৰ্বাহক বিকাশ নাথ, ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চুমন বৰদলৈ, সাধাৰণ সম্পাদক অক্ষয় কুমাৰ ডেকাৰ লগতে আন বিষয়ববীয়াসকল উপস্থিত থাকে। আগন্তুক বৰ্ষটোত ছিপাঝাৰ মহাবিদ্যালয়খনক উন্নতিৰ শিখৰলৈ নিয়াৰ বাবে আছু গোটটোৱে সৰ্বতোপ্ৰকাৰে আত্মনিয়োগ কৰিব বুলি প্ৰকাশ কৰে।

# মৰিয়নিত বৃহৎ পৰিমাণৰ ড্ৰাগছ গাঞ্জা জব্দ



**ই-সংবাদ, মৰিয়নি, ১৫ ফেব্ৰুৱাৰীঃ** মৰিয়নি নকচাৰী মাছখোৰা মিস্ত্ৰী গাওঁত যোৰহাটৰ উপ-আৰক্ষী অধীক্ষক আৰু মৰিয়নি চক্ৰ আৰক্ষী বিষয়াৰ নেতৃত্বত এটা ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ড্ৰাগছ সৰবৰাহকাৰী হানিফ আলীয়ে দীৰ্ঘদিনৰৰ পৰা নকছাৰি অঞ্চলত ড্ৰাগছৰ বেহা চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে হানিফ আলীৰ পৰা সৰ্বমুঠ ৩৪.১২ গ্ৰাম হেৰ'ইন জব্দ কৰিছে। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা লগতে ১৯৭টা চেমপেক নামৰ নিষিদ্ধ নিচাজাতীয় কেপচুল আৰু ২২১ গ্ৰাম গাঞ্জাও জব্দ কৰিছে আটকাধীন হানিফ আলীক মৰিয়নি থানাত মাৰাথান জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে। হানিফ আলীক গ্ৰেপ্তাৰ যোৰহাট আৰক্ষীৰ উল্লেখযোগ্য সফলতাৰূপে বিবেচিত হৈছে।

# জন মেথিউ মাৰাকক এআৰএছচিএৰ সম্বৰ্ধনা

**ই-সংবাদ, ১৫ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই যোৱা বুধবাৰে অসম ৰক আৰু স্পৰ্ট ক্লাইম্বিং সংস্থাৰ উদ্যোগত আয়োজিত এক সম্বৰ্ধনা অনুষ্ঠানত অংশ লৈ বিগত মাহত জামচেদপুৰত অনুষ্ঠিত টাটা ষ্টীল স্পৰ্ট ক্লাইম্বিং চেম্পিয়নশ্বিপত দুটাকৈ আন্তৰ্জাতিক স্বৰ্ণ পদক লাভ কৰা অসমৰ খেলুৱৈ জন মেথিউ মাৰাকক সম্বৰ্ধনা জ্ঞাপন কৰে। অসম ৰক আৰু স্পৰ্ট ক্লাইম্বিং সংস্থাৰ অন্যতম সদস্য জন মেথিউ মাৰাকে বিগত দুটা বছৰ ধৰি আইএমএফ নেচনেল স্পৰ্ট ক্লাইম্বিং চেম্পিয়নশ্বিপত ৰাষ্ট্ৰীয় স্বৰ্ণ পদক লাভ কৰিছিল। দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ কনভেনচন চেন্টাৰত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত খেলুৱৈগৰাকীক সম্বৰ্ধনা জনাই মন্ত্ৰী হাজৰিকাই জন মাৰাকৰ ভৱিষ্যত ক্ৰীড়াৰ যাত্ৰাত সহযোগিতা আগবঢ়াব বুলি মন্তব্য প্ৰকাশ কৰে। বিগত সময়ছোৱাত অসমৰ বহুসংখ্যক খেলুৱৈয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হোৱা বাবে মন্ত্ৰীগৰাকীয়ে গৌৰৱ অনুভৱ কৰা বুলি উল্লেখ কৰি খেলুৱৈ জন মাৰাকৰ ভৱিষ্যত যাত্ৰাৰ বাবে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

# বিৰাটৰ সৈতে একে জাৰ্চি নম্বৰৰে ক্ৰিজত স্মৃতি

**নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ** দেওবাৰৰ পৰা আৰম্ভ হোৱা ওমেন প্ৰিমিয়াৰ লীগৰ প্ৰথমখন খেলতে অধিপত্য দেখুৱালে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে। স্মৃতি মান্ধনা নেতৃত্বাধীন দলটোৱে গুজৰাট জায়েন্টছক পৰাস্ত কৰি ভাল আৰম্ভণি কৰে। অৱশ্যে মেচতকৈ স্মৃতিয়ে ১৮ নম্বৰৰ জাৰ্চি পিন্ধাক লৈ অধিক চৰ্চা হৈছে। বিৰাট কোহলীয়ে আই পি এলত এই সংখ্যাৰে খেলে, অনুৰাগীয়ে ইয়াৰ তুলনা কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু স্মৃতিয়ে স্পষ্টকৈ কৈছে যে এনে তুলনাত তেওঁ একেবাৰেই সুখী নহয়। সংবাদমেলত স্মৃতিক পোনপটীয়াকৈ সোধা হৈছিল, বিৰাট কোহলীৰ জাৰ্চি নম্বৰ শ্বেয়াৰ কৰি কেনে অনুভৱ হৈছে? প্ৰথম অৱস্থাত কিছু সময় মৌন হৈ থকাৰ পিছত স্মৃতিয়ে সামান্য হাঁহি কয়, "আমি ইয়াত ডব্লিউপিএলৰ কথা ক'বলৈ আহিছো। গতিকে আমি মহিলা ক্ৰিকেটত মনোনিৱেশ কৰা উচিত।" তেওঁৰ মন্তব্য ছচিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে।



বদোদৰাত অনুষ্ঠিত ডব্লিউপিএলৰ দ্বিতীয় মেচত ডিচিৰ বিৰুদ্ধে বিধ্বংসী বেটিং এমআইৰ অধিনায়ক হৰমনপ্ৰীত কৌৰৰ

## অষ্ট্ৰেলিয়ান অ'পেন জয়ৰ এমাহ নৌহওঁতেই বিপদত ছিনাৰ

# ড'পিং কেলেংকাৰীক লৈ টেনিছ তাৰকা য়ানিক ছিনাৰক নিলম্বন ৱাডাৰ

**মেলবৰ্'ণ, ১৫ ফেব্ৰুৱাৰীঃ** অষ্ট্ৰেলিয়ান অ'পেন জয়ৰ মাত্ৰ তিনি সপ্তাহৰ পিছতে বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰিছে য়ানিক ছিনাৰ। বিশ্বৰ এক নম্বৰ টেনিছ তাৰকাগৰাকীক ড'পিং কেলেংকাৰীক লৈ তিনি মাহৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৱৰ্ল্ড এণ্টি ডপিং এজেন্সী (ৱাডা)ৰ তদন্তৰ অন্তত ছিনাৰে দোষ স্বীকাৰ কৰাৰ পিছত তিনি মাহৰ নিলম্বন দিয়া হয়। যোৱা বছৰৰ মাৰ্চ মাহত ইণ্ডিয়ান ওৱেলছ প্ৰতিযোগিতাত খেলি থকাৰ সময়তে ছিনাৰৰ ক্ল'ষ্টেবল নামৰ নিষিদ্ধ পদাৰ্থ পজিটিভ পোৱা গৈছিল। কিন্তু সেই সময়ত আন্তঃৰাষ্ট্ৰীয় টেনিছ অখণ্ডতা সংস্থাই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। তদন্তত প্ৰকাশ পাইছে যে ছিনাৰৰ ফিজিঅ'থেৰাপিষ্টে অজানিতে নিষিদ্ধ পদাৰ্থ থকা ঔষধ প্ৰদান কৰিছিল। এই কাণ্ডৰ পিছতে ছিনাৰে তেওঁৰ প্ৰশিক্ষক উম্বাৰ্ট' ফেৰাৰা আৰু ফিজিঅ'থেৰাপিষ্ট জিয়াকোমো নাল্ডিক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। ইয়াৰ পিছতো ৱাডাই তেওঁৰ বিৰুদ্ধে ক'ৰ্ট অৱ আৰ্বিট্ৰেচন ফৰ স্প'ৰ্টত এজাহাৰ দাখিল কৰে। অৱশ্যে শুনানিৰ পূৰ্বে ৱাডাৰ সৈতে এই গোচৰৰ বিষয়ে আলোচনা কৰি ছিনাৰে দোষ স্বীকাৰ কৰে, যাৰ ফলত দীৰ্ঘদিনীয়া শাস্তিৰ পৰা হাত সাৰিবলৈ সক্ষম হয়। ৱাডাৰ এক বিবৃতি অনুসৰি ৯ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা ৪ মে'লৈকে চলিব। অৰ্থাৎ ২৫ মে'ৰ পৰা আৰম্ভ হ'বলগীয়া ফ্ৰেঞ্চ অ'পেনত ছিনাৰে ক'ৰ্টলৈ উভতি আহিব পাৰিব। দীঘলীয়া শাস্তিৰ পৰা হাত সাৰিবলৈ ভুল স্বীকাৰ কৰি শাস্তি মানি লোৱা বুলি ধৰা হয়। কাৰণ, আদালতৰ ৰায় যদি তেওঁৰ বিৰুদ্ধে গ'লহেঁতেন তেন্তে তেওঁক আৰু অধিক কঠোৰ শাস্তি দিব পৰা গ'লহেঁতেন। অষ্ট্ৰেলিয়ান অ'পেন জয় কৰাৰ পিছত ছিনাৰে বিশ্ব টেনিছৰ এক নতুন যুগৰ সূচনা কৰে। কিন্তু এই নিৰ্বাসনে তেওঁৰ কেৰিয়াৰত ক'লা দাগ সানে। অৱশ্যে তিনিমাহৰ পাছত গ্ৰেণ্ড শ্লেমলৈ ঘূৰি আহি প্ৰতিশোধ ল'ব পাৰিব নে নাই সেয়া হ'ব লক্ষ্যণীয়।

# ৰোহিত আউট! এইবাৰ টেষ্ট ক্ৰিকেটত ভাৰতক স্থায়ী নেতৃত্ব দিব যশপ্ৰীত বুমৰাহে

**নতুন দিল্লী, ১৫ ফেব্ৰুৱাৰীঃ** বিৰাট কোহলীৰ পৰা অধিনায়কত্ব লোৱাৰ পাছত টেষ্ট ফৰ্মেটত বিশেষ ছাপ পেলাব পৰা নাই ৰোহিত শৰ্মাই। হয়তো এতিয়া অন্ত পৰিব এই অধ্যায়ৰ। বিচিচিআইৰ সূত্ৰ অনুসৰি জুন মাহত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া টেষ্ট শৃংখলাত ৰোহিত শৰ্মাক আৰু অধিনায়ক হিচাপে দেখা নাযায়। তেওঁৰ ঠাইত টেষ্টৰ স্থায়ী অধিনায়ক হিচাপে দায়িত্ব ল'ব যশপ্ৰীত বুমৰাহে। প্ৰথমবাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিব নোৱাৰিলে ভাৰত। সেই বিফলতাৰ দায়িত্ব যেনেকৈ দল পৰিচালনাৰ ওপৰত পৰিছে, ঠিক তেনেদৰে ৰোহিত শৰ্মাৰ অফ ফৰ্ম আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। শেহতীয়াকৈ এদিনীয়া ক্ৰিকেটত ৰান সংগ্ৰহ কৰাৰ পিছতো টেষ্টত তেওঁৰ বেটিং প্ৰদৰ্শনে হতাশ কৰিছে অনুৰাগীক। বিশেষকৈ বিদেশৰ মাটিত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ দৰে শক্তিশালী প্ৰতিদ্বন্দ্বী দলৰ বিৰুদ্ধে টেষ্ট শৃংখলাত তেওঁ নিজৰ ফৰ্ম ঘূৰাই অনাত ব্যৰ্থ হয়। তাৰ ওপৰত দলৰ পৰা কেইবাজনো জ্যেষ্ঠ খেলুৱৈক বাদ দি যুৱ খেলুৱৈক ঠাই দিয়াৰ বিষয়ে বিতৰ্ক আৰম্ভ হৈছে। জানিব পৰা মতে, এই বিষয়ত বিচিচিআইৰ শীৰ্ষ বিষয়াসকলো অসন্তুষ্ট। সংবাদ সংস্থা পিটিআইৰ এক প্ৰতিবেদন অনুসৰি বিচিচিআইয়ে টেষ্ট ফৰ্মেটত নেতৃত্ব সলনি কৰাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বৰ্তমান ভাৰতীয় টেষ্ট দলৰ উপ অধিনায়ক যশপ্ৰীত বুমৰাহেও ৰোহিতৰ অনুপস্থিতিত অধিনায়কৰ দায়িত্ব গ্ৰহণ কৰিছে। এইবাৰ পেচাৰ যশপ্ৰীত বুমৰাহক অধিনায়কত্বৰ দায়িত্ব স্থায়ীভাৱে প্ৰদান কৰাৰ পৰিকল্পনা চলি আছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি